# ASSAM LEGISLATIVE ASSEMBLY
# STARRED QUESTION NO:1
# DATE OF REPLY:17-02-2026

**SUBJECT:** Government offices functioning from rented or dilapidated buildings in Dholai LAC, if any.

**MLA:** SHRI NIHAR RANJAN DAS

Will the Minister of General Administration Department be pleased to state:

(a) Kindly furnish the number of Government offices, including Circle , Block and allied offices, in the Dholai Vidhansabha Constituency that are currently functioning from rented, temporary or dilapidated buildings .

(b) Kindly furnish the details of funds sanctioned and released during the last five years for construction of permanent office buildings in the constituency.

(c) Whether the Government has formulated any time –bound plan to provide permanent infrastructure to all such offices and if so ,the details thereof.

**ANSWER**

The Hon'ble Chief Minister, Assam & Hon'ble Minister , PWD Shri Himanta Biswa Sarma will reply :

(a) Nil in respect of PWD (B) Department.

(b) No fund has been sanctioned & released during the last five years for construction of permanent office buildings in the constituency .However ,for smooth functioning of the Dholai Co-District office , an amount of Rs.50,00,000.00(Rupees Fifty Lakh ) was sanctioned by Govt. vide No.AA/PWB_2025-26(I)_2641 Dtd.16-07-2025 in the financial year 2025-2026 for Temporary Office of Dholai Co-District Office building in the name of work *"Renovation/Repair of Dholai forest I.B for use as temporary office building of Dholai Co-District in Cachar District,Assam* ."The work was executed by the Executive Engineer , Silchar , Udharbond , Sonai & Dholai(SC) TBD and completed .

(c) No information available in this Department.

*********

**অসম বিধান সভা**
**তৰা চিহ্নিত প্ৰশ্ন নং – ২**
**উত্তৰ দানৰ তাৰিখ -১৭/০২/২০২৬**

বিষয় :- Regular Tax Collector & Junior Assistant (PRI) এর পদোন্নতি

বিধায়ক: শ্ৰী সুজাম উদ্দিন লস্কর

মাননীয় P & RD বিভাগীয় মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেনে কী :

(ক) হাইলাকান্দি জেলায় বর্তমানে কতজন Regular Tax Collector ও Junior Assistant (PRI) কর্মরত আছেন?

(খ) দীর্ঘ কয়েক বৎসর যাবৎ Regular Tax Collector এবং Junior Assistant দের পদোন্নতি না হওয়ার বিষয়ে সরকার অবগত আছে কি?

(গ) যদি অবগত থাকে, তবে কবে নাগাদ পদোন্নতি দেওয়া হবে ?

**উত্তৰ**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব :

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত হাইলাকান্দি জিলাত বৰ্তমান ২৪ গৰাকী নিয়মীয়া Tax Collector cum Road Mohorar আৰু ৪ গৰাকী Junior Assistant কৰ্মৰত হৈ আছে, ইয়াৰে ভিতৰত এজন Junior Assistant (PRI) কৰ্মৰত হৈ আছে।

(খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত হৈ থকা ২৪২ গৰাকী জিলা পৰ্য্যায়ৰ কনিষ্ঠ সহায়ক ইতিমধ্যে ইং ২০২৪ বৰ্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ নিৰ্দেশনা নং E-510495/DFA/830720/2024, Dtd: 13/09/2024ৰ মৰ্মে Accountant (গাণণিক) পদত পদোন্নতি দিয়া হৈছে।

Tax Collector cum Road Mohorar সকলৰ খচৰা আন্তঃজ্যেষ্ঠতাৰ তালিকা ইতিমধ্যেই আয়ুক্তালয়ৰ আদেশ নং E-424457/DFA/493182/2025, Dtd.18-06-2025 অনুসৰি প্ৰকাশ কৰা হৈছে।

জিলা, উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্য্যায়ৰ অৰাজপত্ৰিত কৰ্মচাৰী সকলৰ "সেৱা বিধি / নিয়মাৱলী (Service Rules)" ৰ প্ৰণয়নৰ কাম বিভাগে ইতিমধ্যে আৰম্ভ কৰিছে। উক্ত বিষয়ত অন্যান্য সন্থাৰ লগতে Tax Collector cum Road Mohorar সন্থাৰ প্ৰতিনিধিৰ লগতো আলোচনাত মিলিত হোৱা গৈছে। এই "সেৱা বিধি / নিয়মাৱলী (Service Rules)" প্ৰযোজ্য হোৱাৰ লগে লগে সংশ্লিষ্ট পদসমূহৰ পদোন্নতিৰ বিষয়টো বিবেচনা কৰা হ'ব।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত Jr. Assistant সকলৰ পদোন্নতি ইতিমধ্যেই ২০২৪ বৰ্ষত সম্পন্ন কৰা হৈছে আৰু Tax Collector cum Road Mohorar সকলৰ পদোন্নতিৰ ক্ষেত্ৰত যথাসময়ত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# অসম বিধান সভা
## তৰা চিহ্নিত প্ৰশ্ন নং – ২
## উত্তৰ দানৰ তাৰিখ -১৭/০২/২০২৬

বিষয় :- Regular Tax Collector & Junior Assistant (PRI) এর পদোন্নতি

বিধায়ক: শ্ৰী সুজাম উদ্দিন লস্কর

মাননীয় P & RD বিভাগীয় মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবনে কী :

(ক) হাইলাকান্দি জেলায় বর্তমানে কতজন Regular Tax Collector ও Junior Assistant (PRI) কর্মরত আছেন?

(খ) দীৰ্ঘ কয়েক বৎসর যাবৎ Regular Tax Collector এবং Junior Assistant দের পদোন্নতি না হওয়ার বিষয়ে সরকার অবগত আছে কি?

(গ) যদি অবগত থাকে, তবে কবে নাগাদ পদোন্নতি দেওয়া হবে ?

## উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব :

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত হাইলাকান্দি জিলাত বৰ্তমান ২৪ গৰাকী নিয়মীয়া Tax Collector cum Road Mohorar আৰু ৪ গৰাকী Junior Assistant কৰ্মৰত হৈ আছে, ইয়াৰে ভিতৰত এজন Junior Assistant (PRI) কৰ্মৰত হৈ আছে।

(খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত হৈ থকা ২৪২ গৰাকী জিলা পৰ্য্যায়ৰ কনিষ্ঠ সহায়ক ইতিমধ্যে ইং ২০২৪ বৰ্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ নিৰ্দেশনা নং E-510495/DFA/830720/2024, Dtd: 13/09/2024ৰ মৰ্মে Accountant (গাণণিক) পদত পদোন্নতি দিয়া হৈছে।

Tax Collector cum Road Mohorar সকলৰ খচৰা আন্তঃজ্যেষ্ঠতাৰ তালিকা ইতিমধ্যেই আয়ুক্তালয়ৰ আদেশ নং E-424457/DFA/493182/2025, Dtd.18-06-2025 অনুসৰি প্ৰকাশ কৰা হৈছে।

জিলা, উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্য্যায়ৰ অৰাজপত্ৰিত কৰ্মচাৰী সকলৰ "সেৱা বিধি / নিয়মাৱলী (Service Rules)" ৰ প্ৰণয়নৰ কাম বিভাগে ইতিমধ্যে আৰম্ভ কৰিছে। উক্ত বিষয়ত অন্যান্য সন্থাৰ লগতে Tax Collector cum Road Mohorar সন্থাৰ প্ৰতিনিধিৰ লগতো আলোচনাত মিলিত হোৱা গৈছে। এই "সেৱা বিধি / নিয়মাৱলী (Service Rules)" প্ৰযোজ্য হোৱাৰ লগে লগে সংশ্লিষ্ট পদসমূহৰ পদোন্নতিৰ বিষয়টো বিবেচনা কৰা হ'ব।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত Jr. Assistant সকলৰ পদোন্নতি ইতিমধ্যেই ২০২৪ বৰ্ষত সম্পন্ন কৰা হৈছে আৰু Tax Collector cum Road Mohorar সকলৰ পদোন্নতিৰ ক্ষেত্ৰত যথাসময়ত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**অসম বিধান সভা**

**তঁৰা চিহ্নীত প্ৰশ্ন নং-৩**

**উত্তৰ দিয়াৰ তাৰিখ-** ১৭/২/২০২৬

বিষয়: অৰুণোদয় আঁচনি সম্পৰ্কে

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ : বিধায়ক

*মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অৰুণোদয় ২.০ আৰু ৩.০ ত ধুবুৰী জিলাত কিমানজন হিতাধীকাৰীক বাঁচনি কৰা হৈছে আৰু কি কি নিয়ম অবলম্বন / কি যোগ্যতাৰ ভিত্তিত বাঁচনি কৰা হৈছে জনাব, লগতে হিতাধিকাৰীৰ তালিকা পবিত্ৰ সদনত দাখিল কৰিব ।

খ) ধুবুৰী জিলাখনত এতিয়ালৈকে কিমানজন বিধৱা, বিকলাংগ, অবিবাহিত বয়স্ক মহিলা এই আঁচনিৰ পৰা বাদ পৰিছে ? সবিশেষ সদনত উল্লেখ কৰিব ।

গ) যিসকল অৰুণোদয় আঁচনিভুক্ত হিতাধিকাৰী অৰুণোদয় ১.০ আৰু ২.০ ৰ পৰা কৰ্ত্তন হৈছে সেই সকল হিতাধিকাৰীৰ তালিকা সদনত উল্লেখ কৰিব আৰু এইসকল ব্যক্তিক চৰকাৰে কোনো ধৰণৰ আঁচনিত অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা আছেনে ? জনাব ।

**উত্তৰ**

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিছে ।**

(ক) অৰুণোদয় ২.০ আঁচনিখন ইতিমধ্যে বন্ধ হৈছে । অৰুণোদয় ৩.০ ত ধুবুৰী জিলাত মুঠ ১,৫১,১২৬ জন হিতাধিকাৰীক বাচনি কৰা হৈছে । যোগ্য হিতাধিকাৰী সকলক অৰুণোদয় ৩.০ ৰ নিয়মাৱলীৰ আধাৰত নিৰ্বাচিত কৰা হৈছে । অৰুণোদয় নিয়মাৱলী আৰু নিৰ্বাচিত হিতাধিকাৰীৰ তালিকা https://neva.gov.in ত upload কৰা হ'ল ।

(খ) ধুবুৰী জিলাত এতিয়ালৈকে অৰুণোদয় আঁচনিত বিধৱা -২৫৯৮৩ গৰাকী, বিকলাংগ — ৬১০৭ গৰাকী আৰু অবিবাহিতা বয়স্ক মহিলা—২০৫০ গৰাকীক অন্তৰ্ভুক্ত কৰা হৈছে ।

(গ) অৰুণোদয় ১.০ আৰু ২.০ আঁচনিখন ইতিমধ্যে বন্ধ হৈছে । সংশোধিত নিয়মাৱলীৰে অৰুণোদয় ৩.০ আৰম্ভ কৰা হৈছে আৰু যোগ্য বিবেচিত হোৱাসকলৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে । সৰ্বাধিক ৪০ লাখ হিতাধিকাৰী এই আচঁনিত অন্তৰ্ভুক্ত হৈছে।

******

অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং – ৪

উত্তৰ দিয়াৰ তাৰিখ – ১৭-০২-২০২৬

বিষয় : অসমৰ অৰ্থনৈতিক অগ্ৰগতি ।

বিধায়কৰ নাম : শ্ৰী অখিল গগৈঃ

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনেঃ

প্ৰশ্ন

(ক) তলৰ তালিকাখনত দিয়া অনুসৰি ১ এপ্ৰিল, ২০১৬ চনৰ পৰা ৩১ মাৰ্চ, ২০২৬ তাৰিখলৈ (estimated) প্ৰতি বছৰে অসম চৰকাৰৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ জনাবঃ

| চন | অসম চৰকাৰৰ কৰ ৰাজহ | অসম চৰকাৰৰ অনাকৰ ৰাজহ | ৰাজহুৱা উদ্যোগৰ লাভাংশ (ডিভিডেণ্ট) | কেন্দ্ৰৰ অনুদান (গ্ৰাণ্ট) | ৰাজহুৱা ঋণ | ফাইনেন্স কমিচনৰ অংশ | জি এছ টিৰ অংশ |
|---|---|---|---|---|---|---|---|
| | | | | | | | |
| | | | | | | | |

(খ) অসমৰ মুঠ GSDP লৈ ওপৰৰ শিতানসমূহৰ বছৰি অৱদানৰ অনুপাত (শতাংশত) জনাব ।

(গ) অসম চৰকাৰে ৰূপায়ণ কৰা মুঠ হিতাধিকাৰী আঁচনি কেইখন আৰু কি কি ? ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ হিতাধিকাৰী আঁচনিসমূহত ৰাজ্য চৰকাৰৰ বছৰি মুঠ ব্যয় কিমান আছিল ? অসমৰ মহিলাসকলৰ মাইক্ৰ'ফাইনেন্সৰ ধাৰ ১২,৫০০ কোটি টকাৰ ভিতৰত কিমান টকাৰ ধাৰ ৰাজ্য চৰকাৰে পৰিশোধ কৰিলে আৰু কিমান টকা পৰিশোধ কৰিবলৈ বাকী আছে ?

(ঘ) ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ বছৰি অসম চৰকাৰৰ দায়বদ্ধ ব্যয় কিমান আছিল আৰু নিজা ৰাজহ প্ৰাপ্তি (Own Revenue Receipt) কিমান আছিল ?

বিত্ত বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্তৰ দিবঃ

উত্তৰ

(ক) যিহেতু চৰকাৰী হিচাপ পত্ৰ সমূহ বিত্তীয় বৰ্ষ হিচাপে ৰখা হয় আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষ এতিয়াও সমাপ্ত হোৱা নাই, সেয়েহে, ২০২৫-২৬ বিত্তীয় বৰ্ষৰ তথ্য মহাগাণনিক, অসমৰ তথ্য উপলব্ধ হ'লেহে দিব পৰা যাব । গতিকে, ১ এপ্ৰিল, ২০১১ চনৰ পৰা ৩১ মাৰ্চ ২০২৫ চনলৈ বৰ্ষ অনুসৰি সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ প্ৰশ্নত দিয়া তালিকা অনুসৰি তলত দিয়া হ'ল ।

(কোটি টকা হিচাপত)

| চন | অসম চৰকাৰৰ কৰ ৰাজহ | অসম চৰকাৰৰ অনাকৰ ৰাজহ | ৰাজহুৱা উদ্যোগৰ লভ্যাংশ (ডিভিডেণ্ট) | কেন্দ্ৰৰ অনুদান (গ্ৰাণ্ট) | ৰাজহুৱা ঋণ | ফাইনেন্স কমিচনৰ অংশ | জি এছ টিৰ অংশ (CGST) |
|---|---|---|---|---|---|---|---|
| ২০১১-১২ | ১৬,৯২২ | ২,৮৬৭ | ১৪ | ৭,৬৬৭ | ৯৫২ | ৭৩৩ | N/A |
| ২০১২-১৩ | ১৮,৮৫১ | ২,৪৭৪ | ১২ | ৯,৩৬৬ | ১,৩৮৮ | ১,২৪০ | N/A |
| ২০১৩-১৪ | ২০,৫৬৯ | ২,৭০৫ | ১২ | ৮,৯৩৮ | ১,১৯৬ | ৫০৮ | N/A |
| ২০১৪-১৫ | ২১,৭৩৪ | ২,৪১৩ | ১৬ | ১৪,০৩৫ | ৪৫৮২ | ১,১৩০ | N/A |
| ২০১৫-১৬ | ২৬,৮৯১ | ২,৭৪২ | ৭০ | ১২,৮২৫ | ৫,৪৯৮ | ২,৯৪৪ | N/A |
| ২০১৬-১৭ | ৩২,২৬৮ | ৪,৩৫৩ | ১২৪ | ১২,৫৯৮ | ৩,৯০২ | ১,৭২৯ | N/A |
| ২০১৭-১৮ | ৩৫,৫১৭ | ৪,০৭২ | ২২৬ | ১৪,৫৪২ | ৮,৪৪৭ | ১,২৮৩ | ৩১৬ |
| ২০১৮-১৯ | ৪১,১৪১ | ৮,২২১ | ১৫৩ | ১৪,১১৭ | ১১,৭৫৫ | ৯৩২ | ৬,২২৩ |
| ২০১৯-২০ | ৩৮,২৫০ | ৫,৫৩৯ | ৩১ | ২০,৭০৬ | ১৪,২৪৭ | ৪,৬০৪ | ৬,১৬৪ |
| ২০২০-২১ | ৩৫,৭৬৩ | ২,৯০০ | ৪৮২ | ২৭,২৩৪ | ১৬,৯৪৬ | ১০,৫৩৪ | ৫,৪৯৮ |
| ২০২১-২২ | ৪৭,৬৮৪ | ৩,৫৮০ | ১১৪ | ৩০,৩২৬ | ১৪,৮৯৬ | ৮ ৯১৬ | ৭,৮৯৫ |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ২০২২-২৩ | ৫৪,১৯৬ | ৫,৭৬১ | ৪৪৮ | ২৯,৭৮৫ | ২৩৬৬১ | ৭,৩৫৫ | ৮,৩৯৪ |
| ২০২৩-২৪ | ৬৩,৫০৯ | ৫,৯০৩ | ১৮৫ | ২২,১২৩ | ২৭,৭৭২ | ৫,৫৯৯ | ১০,৭২২ |
| ২০২৪-২৫ (প্ৰাক প্ৰকৃত) | ৭০,৩০৬ | ৫,৩৫২ | ১৫ | ২১,২৫০ | ৩০,৬৭৩ | ১,৩৫৬ | ১১,৭৫৭ |

(Source: Finance Accounts, AG, Assam)

N.B: ৰাজহুৱা উদ্যোগৰ লভ্যাংশ (ডিভিডেণ্ট) অসম চৰকাৰৰ অনাকৰ ৰাজহত অন্তৰ্ভুক্ত হৈ আছে। ফাইনেন্স কমিচনৰ অংশ কেন্দ্ৰৰ অনুদানত (গ্ৰাণ্ট) অন্তৰ্ভুক্ত হৈ আছে। জি এছ টিৰ অংশ অসম চৰকাৰৰ কৰ ৰাজহত অন্তৰ্ভুক্ত হৈ আছে।

(খ) অসমৰ মুঠ GSDP লৈ ওপৰৰ শিতানসমূহৰ বছৰি অৰদানৰ অনুপাত (শতাংশ) হিচাপত তলত উল্লেখ কৰা হ'ল:

(কোটি টকা হিচাপত)

| বৰ্ষ | GSDP (বৰ্তমানৰ মূল্যত) | GSDP-ৰ শতাংশ হিচাপে কৰ ৰাজহ | GSDP-ৰ শতাংশ হিচাপে অনা কৰ ৰাজহ | GSDP-ৰ শতাংশ হিচাপে ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ পৰা লাভাংশ | GSDP-ৰ শতাংশ হিচাপে কেন্দ্ৰীয় সাহাৰ্য্য অনুদান | GSDP-ৰ শতাংশ হিচাপে ৰাজহুৱা ঋণ | GSDP-ৰ শতাংশ হিচাপে বিত্তীয় আয়োগৰ অনুদান | GSDP-ৰ শতাংশ হিচাপে জি এছ টি (CGST) ৰ অংশ |
|---|---|---|---|---|---|---|---|---|
| ২০১১-১২ | ১,৪৩,১৭৫ | ১২% | ২% | ০.০১% | ৫% | ১% | ০.৫% | N/A |
| ২০১২-১৩ | ১,৫৬,৮৬৪ | ১২% | ২% | ০.০০৭% | ৬% | ১% | ০.৮% | N/A |
| ২০১৩-১৪ | ১,৭৭,৭৪৫ | ১২% | ২% | ০.০০৭% | ৫% | ১% | ০.৩% | N/A |
| ২০১৪-১৫ | ১,৯৫,৭২৩ | ১১% | ১% | ০.০০৮% | ৭% | ২% | ০.৬% | N/A |
| ২০১৫-১৬ | ২,২৭,৯৫৯ | ১২% | ১% | ০.০৩% | ৬% | ২% | ১.৩% | N/A |
| ২০১৬-১৭ | ২,৫৪,৩৮২ | ১৩% | ২% | ০.০৫% | ৫% | ২% | ০.৭% | N/A |
| ২০১৭-১৮ | ২,৮৩,১৬৫ | ১৩% | ১% | ০.০৮% | ৫% | ৩% | ০.৫% | ০.১% |
| ২০১৮-১৯ | ৩,০৯,৩৩৬ | ১৩% | ৩% | ০.০৫% | ৫% | ৪% | ০.৩% | ২.০% |
| ২০১৯-২০ | ৩,৪৬,৮৫১ | ১১% | ২% | ০.০১% | ৬% | ৪% | ১.৩% | ১.৮% |
| ২০২০-২১ | ৩,৩৯,৮০৩ | ১১% | ১% | ০.১৪% | ৮% | ৫% | ৩.১% | ১.৬% |
| ২০২১-২২ | ৪,১০,৭২৪ | ১২% | ১% | ০.০৩% | ৭% | ৪% | ২.২% | ১.৯% |
| ২০২২-২৩ | ৪,৮৪,৯৮৫ | ১১% | ১% | ০.০৯% | ৬% | ৫% | ১.৫% | ১.৭% |
| ২০২৩-২৪ (আনুমানিক হিচাপ) | ৫,৬২,০১৬ | ১১% | ১% | ০.০৩% | ৪% | ৫% | ১% | ১.৯% |
| ২০২৪-২৫ (খৰতকীয়া হিচাপ) | ৬,৪৩,৩৮৩ | ১১% | ১% | ০% | ৩% | ৫% | ০.২% | ১.৮% |

(Source: Finance Accounts, AG, Assam)

উল্লেখযোগ্য যে, অৰ্থনৈতিক দক্ষতা আৰু ৰাজ্যসমূহৰ উৎপাদনক পুৰস্কৃত কৰাৰ উদ্দেশ্যে ১৬-তম বিত্তীয় আয়োগে (16th FC) জিডিপি-লৈ অৱিহণা (১০% গুৰুত্ব) অনুভূমিক হস্তান্তৰৰ (horizontal devolution) মাপকাঠিত অন্তৰ্ভুক্ত কৰিছে। যাৰ ফলত ৰাজ্যসমূহৰ বাবে অনুভূমিক হস্তান্তৰৰ (horizontal devolution) অংশ ১৫-তম বিত্তীয় আয়োগৰ সময়ছোৱাৰ ৩.১২৮-ৰ পৰা বৃদ্ধি পাই ১৬-তম বিত্তীয় আয়োগৰ সময়ছোৱাত ৩.২৫৮ হৈছে।

(গ) অসম চৰকাৰে ৰূপায়ণ কৰা মুঠ হিতাধিকাৰী আঁচনি কেইখন আৰু বিৱৰণ লগতে অসম চৰকাৰে ৰূপায়ণ কৰা মুঠ হিতাধিকাৰী আঁচনিসমূহত ৰাজ্য চৰকাৰৰ বছৰি মুঠ ব্যয়ৰ পৰিমাণ সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিচৰা হৈছে।

"অসম মাইক্ৰ'ফাইনেঞ্চ উদগনি আৰু সকাহ আঁচনি-২০২১" (AMFIRS-2021) ৰ অধীনত বিত্তীয় বৰ্ষ ২০২১-২২ পৰা ২০২৪-২৫ বৰ্ষলৈকে সৰ্বমুঠ ১২,৭১,৬৭২ গৰাকী ঋণী মহিলাক মুঠ ২৩০৪.৩০ কৌটি

টকা উদগনি আৰু সকাহ হিচাবে মুকলি কৰি দিয়া হৈছে । কোভিড-১৯ ৰ পৰৱৰ্তী সময়ছোৱাত এই আঁচনিৰ জৰিয়তে ঋণী মহিলাসকল উপকৃত হোৱাৰ লগতে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱা পৰিলক্ষিত হৈছে।

(ঘ) ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ বছৰি অসম চৰকাৰৰ দায়বদ্ধ ব্যয় আৰু নিজা ৰাজহ প্ৰাপ্তি (Own Revenue Receipt) তলত দিয়া তালিকাত উল্লেখ হ'ল:

(কোটি টকা হিচাপত)

| বৰ্ষ | প্ৰতিশ্ৰুতিবদ্ধ ব্যয় | | | | নিজা ৰাজহ প্ৰাপ্তি |
|---|---|---|---|---|---|
| | দৰমহা (Salary) | পেন্সন (Pension) | সুদ পৰিশোধ (Interest) | মুঠ | |
| ২০১১-১২ | ১১,৬৪৭ | ৩,১৩৬ | ২,০৭৫ | ১৬,৮৫৮ | ১০,৫০৫ |
| ২০১২-১৩ | ১৩,২৭০ | ৩,৭৭৯ | ২,১১৫ | ১৯,১৬৪ | ১০,৭২৪ |
| ২০১৩-১৪ | ১৫,৬১৪ | ৪,২৬৪ | ২,১৯৮ | ২২,০৭৭ | ১১,৭০০ |
| ২০১৪-১৫ | ১৭,৫৮০ | ৫,২৩৭ | ২,৩৩৪ | ২৫,১৫১ | ১১,৮৬৩ |
| ২০১৫-১৬ | ১৮,৪৮৪ | ৫,৯৮৫ | ২,৬১৮ | ২৭,০৮৮ | ১২,৮৪৮ |
| ২০১৬-১৭ | ১৯,২০৯ | ৬,৫৬৫ | ২,৯৬৪ | ২৮,৭৩৮ | ১৬,৪৩৩ |
| ২০১৭-১৮ | ২৫,৭৫২ | ৮,২৮৭ | ৩,২০৫ | ৩৭,২৪৪ | ১৭,২৮৭ |
| ২০১৮-১৯ | ২৬,১৭৮ | ৮,১১২ | ৩,৮৪৪ | ৩৮,১৩৪ | ২৪,১৪৬ |
| ২০১৯-২০ | ২৭,০০৮ | ৯,৬০৯ | ৪,৪৩৯ | ৪১,০৫৬ | ২২,০৬৮ |
| ২০২০-২১ | ২৬,৮০৩ | ১০,৩২৯ | ৫,১৯৯ | ৪২,৩৩১ | ২০,০৩৩ |
| ২০২১-২২ | ২৮,৫৬০ | ১৭,২২৪ | ৬,০৫১ | ৫১,৮৩৫ | ২৩,১১৩ |
| ২০২২-২৩ | ৩০,৮৬৮ | ১৬,৪০৭ | ৬,৮৭৫ | ৫৪,১৫০ | ৩০,২৬৩ |
| ২০২৩-২৪ | ২৯,৮০৭ | ১৭,৬৫৪ | ৮,১৩৯ | ৫৫,৬০০ | ৩৪,০৮১ |
| ২০২৪-২৫ (প্ৰাক প্ৰকৃত) | ৩১,০২২ | ১৮৭৬৯ | ৯,৪৬৮ | ৫৯,২৫৯ | ৩৫,৪০৪ |

(Source: Finance Accounts, AG, Assam)

*****

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা চিহ্নিত প্ৰশ্ন নং** : **৫**

বিষয় : **বদরপুর শহরে Master Water Plant Project সম্পর্কিত।**

বিধায়ক : **শ্ৰীকমলাক্ষ দে পুৰকায়স্থ:**

**মাননীয় Public Health Engineering বিভাগীয় মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কী:**

(ক) বদরপুর শহরে Master Water Plant Project এর টাকা মঞ্জুর করা হয়েছে এবং বর্তমানে Tender হওয়ার Process এ আছে, কিন্তু এখনো বদরপুর শহরের মানুষ পানীয় জলের সুবিধা থেকে বঞ্চিত হয়ে আছেন তাই এই কাজ কবে নাগাদ শুরু করা হবে এবং কতদিনের মধ্যে শেষ করা হবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ করছি।

(খ) কাটিগড়া বিধানসভার অন্তর্গত অনেক Plant আছে যার সামান্য কিছু কাজ বাকী থাকার জন্য মানুষ পানীয় জলের সুবিধা থেকে বঞ্চিত হয়ে আছেন, তাই এই কাজ কবে নাগাদ শেষ হবে?

(গ) উক্ত এলাকায় অনেক Plant এর Pipe ভালো না থাকায় জল সরবরাহ ভালোভাবে হয় না, তাই নতুন করে Pipe লাগানোর জন্য সরকারের কী কোনো ধরনের পরিকল্পনা আছে?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) The bid for procurement of Badarpur Master Water Plant Project is under floating stage with bid closing time at 16:00 hrs. Of 16/02/2026 and as such the procurement process is expected to be over within February, 2026 subject to impending MCC restrictions, From the award of Contract, the capital works should be accomplished within 18 months.

(খ) Presently 34 nos. of piped water supply scheme are ongoing under Katigorah LAC which are on hold due to instruction of Stand Still period. All the ongoing schemes are to be completed phase wise after withdrawal of Stand Still period.

(গ) Due to widening of Road and construction of drain by the PWD Department under Assam Mala Project and other development activities, pipe line distribution network of the few areas of Katigorah LAC has been damaged. Restoration works are going on which are done by the PWD Department.

অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং -৬

উত্তৰ দিয়াৰ তাৰিখ - ১৭-০২-২০২৬

বিষয় : অসমৰ GDP

বিধায়কৰ নাম : শ্ৰী ৰেকিবুদ্দিন আহমেদ:

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

**প্ৰশ্ন**

(ক) অসমৰ বৰ্তমানৰ GDPৰ বিষয়ে জনাব ? ২০১৬ চনৰ পৰা বৰ্তমানলৈ GDPৰ বিকাশৰ হাৰ (%) ৰ বিষয়ে বিতংকৈ জনাব।

(খ) Fiscal Responsibility and Budget Management (FRBM) Act মতে ৰাজ্য চৰকাৰে মুঠ GDP ৰ কিমান শতাংশলৈকে ঋণ লব পাৰে আৰু বৰ্তমান অসম চৰকাৰে লোৱা ঋণৰ পৰিমাণ সেই হিচাবত কিমান শতাংশ হৈছে বিতংকৈ জনাব।

(গ) বৰ্তমান অসম চৰকাৰৰ ঋণৰ পৰিমাণ কিমান ?

(ঘ) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসম চৰকাৰে লোৱা ঋণৰ বিতং তথ্য দাখিল কৰিব। কি কি উৎসৰ পৰা কিমান ঋণ লোৱা হৈছে তাৰ বিতং তথ্যও জনাব।

(ঙ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসমৰ জনমূৰী আয় আৰু ঋণৰ পৰিমাণ কিমান জনাব।

(চ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসম চৰকাৰে বিভিন্ন উৎসৰ যি ঋণ লৈছিল তাৰ বিপৰীতে আদায় দিয়া সুদৰ বিতং তথ্য জনাব।

(ছ) অসম চৰকাৰৰ কি কি হিতাধিকাৰী আঁচনি আছে আৰু কোনখন আঁচনিৰ বিপৰীতে মাহে মাহে DBT ৰ জৰিয়তে কিমান ধন ব্যয় হয় বিতংকৈ জনাব।

(জ) ২০১৬-১৭ ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ অসম চৰকাৰে বাজেটত কিমান টকা ধাৰ্য কৰিছিল, কিমান টকা সেই বিত্তীয় বৰ্ষসমূহত ব্যয় কৰিছে লগতে ৰাজহ আৰু মূলধনী শিতানত কিমান টকা ধাৰ্য কৰিছিল আৰু প্ৰকৃততে কিমান টকা ব্যয় কৰিছিল বিতংকৈ জনাব।

বিত্ত বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰী যুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্তৰ দিবঃ

**উত্তৰ**

(ক) অসমৰ বৰ্তমানৰ (২০২৫-২৬) GSDP ৰ হাৰ ১৫.৮৪ শতাংশ। ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসমৰ GSDP ৰ বিকাশৰ হাৰ (%) বিষয়ে বিতংকৈ অনুবন্ধ "১" ত গাঁঠি দিয়া হ'ল।

(অনুবন্ধ "১" https://neva.gov.in ত upload কৰা হল।)

(খ) Fiscal Responsibility and Budget Management (FRBM) Act মতে ৰাজ্য চৰকাৰে মুঠ GSDP ৰ ৩২ শতাংশলৈকে ঋণ লব পাৰে আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত অসম চৰকাৰে ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে অসম চৰকাৰে লোৱা ঋণৰ পৰিমাণ ২২.২৫ শতাংশ ।

ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) ৰ প্ৰতিবেদন অনুসৰি, বিত্তীয় বৰ্ষ ২০২৩-২৪ (PE) ত ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমে সৰ্বাধিক বিকাশৰ হাৰ লাভ কৰিছে আৰু বিত্তীয় বৰ্ষ ২০২৪-২৫ (QE) ত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (GSDP) বিকাশৰ ক্ষেত্ৰত দেশৰ শীৰ্ষ ছয়খন ৰাজ্যৰ ভিতৰত স্থান পাব বুলি ধাৰণা কৰা হৈছে।

(গ) মহাগাণনিক অসমে অসম চৰকাৰৰ হিচাপ পত্ৰবোৰ বিত্তীয় বৰ্ষ হিচাপে প্ৰকাশ কৰে। যোৱা ৩১ মাৰ্চ ২০২৫ পৰ্যন্ত ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে অসম চৰকাৰে লোৱা সৰ্বমুঠ ঋণৰ (Outstanding Debt) পৰিমান হ'ল ১৪৩১৭৮.৪৫ কোটি টকা।

(ঘ) ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ৩১ মাৰ্চ ২০২৫ পৰ্যন্ত ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা লোৱা ঋণৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল:

(কোটি টকা হিচাপত)

| বিত্তীয় বৰ্ষ | ঋণৰ উৎস আৰু পৰিমাণ | | | | |
|---|---|---|---|---|---|
| | বজাৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | কেন্দ্ৰীয় ঋণ (বহিঃ সাহায্য প্ৰাপ্ত আঁচনীৰ বিপৰীতে লোৱা ঋণৰ অংশ) | ৰাজ্যিক ভবিষ্যনিধি | সৰ্বমুঠ |
| ২০১৬-১৭ | ৩০৯০ | ৭৫৪.৩৬ | ৫৭.৩৫ | ১৭৪৭.৭৪ | ৫৬৪৯.৪৫ |
| ২০১৭-১৮ | ৭৭৬০ | ৬১৭.৫১ | ৬৯.৫৭ | ২০২৯.১৩ | ১০৪৭৬.২১ |
| ২০১৮-১৯ | ১০৫৯৫ | ১০৭০.৫০ | ৮৯.১৬ | ২২৪৯.২২ | ১৪০০৩.৮৮ |
| ২০১৯-২০ | ১২৯০৬ | ১২৩৪.২৪ | ১০৬.৩৪ | ২৩৮৭.৯৫ | ১৬৬৩৪.৫৩ |
| ২০২০-২১ | ১৫০৩০ | ১৩৫২.৩৬ | ১১৩.৮২ | ২৩১০.৪১ | ১৮৮০৬.৫৯ |
| ২০২১-২২ | ১২৭৫৩ | ১৩৮৫.৯৪ | ১৫৭.৩৪ | ২২৫২.১৩ | ১৬৫৪৮.৪১ |
| ২০২২-২৩ | ১৭১০০ | ২১২৫.৭৬ | ১৩৫.৪৮ | ২২৪০.৭৮ | ২১৬০২.০২ |
| ২০২৩-২৪ | ১৮৫০০ | ৩২৬৬.৪২ | ২০০.৭৫ | ২১৫০.৩৫ | ২৪১১৭.৫২ |
| ২০২৪-২৫ | ১৯০০০ | ৩৮৭০.৪৭ | ৩৭৫.০০ | ২০৪৮.৭৬ | ২৫২৯৪.২৭ |

(Source: Finance Accounts)

(ঙ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসমৰ জনমূৰী আয় আৰু ঋণৰ তথ্য অনুবন্ধ-"২" ত গাঁঠি দিয়া হ'ল । (অনুবন্ধ "২" https://neva.gov.in ত upload কৰা হল।)

(চ) অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা লোৱা ঋণৰ বিপৰীতে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈকে আদায় দিয়া সুদৰ বিতং তথ্য তলত দিয়া হ'ল।

(কোটি টকা হিচাপত)

| বিত্তীয় বৰ্ষ | আদায় দিয়া সুদৰ পৰিমাণ | | | | | |
|---|---|---|---|---|---|---|
| | বজাৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় নিধি | কেন্দ্ৰীয় ঋণ | ৰাজ্যিক ভবিষ্যনিধি | সৰ্বমুঠ |
| ২০১৬-১৭ | ১১৩১.৫৪ | ৮৮.৫৪ | ৯৫২.২২ | ১০৫.৬৩ | ৬৮৫.৮২ | ২৯৬৩.৭৫ |
| ২০১৭-১৮ | ১৩৭৬.৫০ | ১১১.০০ | ৮৯৩.৫৪ | ১০০.১৬ | ৭২৪.১৩ | ৩২০৫.৩২ |
| ২০১৮-১৯ | ১৯৯৫.৪৪ | ১৩১.৬১ | ৮২৯.৩৭ | ৯৫.৬৯ | ৭৯২.২৬ | ৩৮৪৪.৩৭ |
| ২০১৯-২০ | ২৫৫১.৮৪ | ১৬৭.১৩ | ৭৬০.৯৬ | ৯২.৫৯ | ৮৬৬.৩৬ | ৪৪৩৮.৮৭ |
| ২০২০-২১ | ৩৩৫২.১১ | ১৯২.৮০ | ৬৮৮.২৬ | ৯০.৬৮ | ৮৭৫.৩৩ | ৫১৯৯.১৮ |
| ২০২১-২২ | ৪২৫০.৫৩ | ২০৭.১০ | ৬১৫.৫৬ | ৮৯.৩১ | ৮৮৮.৯৮ | ৬০৫১.৪৭ |
| ২০২২-২৩ | ৫১২৪.৬৪ | ২২৩.২৫ | ৫৪২.৮৬ | ৯০.৯৩ | ৮৯৩.৩০ | ৬৮৭৪.৯৭ |
| ২০২৩-২৪ | ৬৩৭৬.৩৬ | ৩১৭.০২ | ৪৭০.১৫ | ৯০.৩২ | ৮৮৫.৩২ | ৮১৩৯.১৭ |
| ২০২৪-২৫ | ৭৫৩১.৬১ | ৪৭৭.০২ | ৩৯৭.৪৫ | ৯৫.০৭ | ৯৬৬.৬০ | ৯৪৬৭.৭৫ |

(Source: Finance Accounts)

(ছ) যিহেতু ইয়াৰ লগত একাধিক বিভাগ জড়িত হৈ আছে, সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে।

(জ) ২০১৫-১৬ ৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষ লৈকে অসম চৰকাৰে বাজেটত ধাৰ্য্য কৰা, সেই বিত্তীয় বৰ্ষত ব্যয় কৰা লগতে ৰাজহ আৰু মূলধনী শিতানত ধাৰ্য্য কৰা টকাৰ পৰিমাণ তলৰ তালিকা উল্লেখ কৰা হ'ল । ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ব্যয়ৰ তথ্য মহাগাণনিকৰ কাৰ্যালয়ে এতিয়া পৰ্যন্ত চূড়ান্ত কৰা নাই, গতিকে এই তথ্য দিব পৰা নাযাব ।

| ক্র. নং. | বিত্তীয় বৰ্ষ | সংশোধিত আনুমানিক (ৰাজহ) | সংশোধিত আনুমানিক (মূলধন) | মুঠ সংশোধিত আনুমানিক | ৰাজহ ব্যয় | মূলধনী ব্যয় (ৰাজহুৰা ঋণ অন্তৰ্ভুক্ত কৰি) | মুঠ ব্যয় | সংশোধিত ব্যয়ৰ তুলনাত প্ৰকৃত ব্যয় (%) |
|---|---|---|---|---|---|---|---|---|
| ১ | ২০১৫-১৬ | ৫৬০৩৬.৯৮ | ১৬৫৩৫.৯০ | ৭২৫৭২.৮৮ | ৩৭০১১.৪২ | ৪৯১৯.৯০ | ৪১৯৩১.৩২ | ৫৮ |
| ২ | ২০১৬-১৭ | ৬৫৬৭৬.৭৬ | ১৭৩২৩.৪৭ | ৮৩০০০.২৩ | ৪৯৩৬৩.০০ | ৮০৪৪.০০ | ৫৭৪০৭.০০ | ৬৯ |
| ৩ | ২০১৭-১৮ | ৭৯২৫৬.৫১ | ২০১৯৬.৫৫ | ৯৯৪৫৩.০৫ | ৫৫৪৮১.০০ | ৯৯৫৫.০০ | ৬৫৪৩৬.০০ | ৬৬ |
| ৪ | ২০১৮-১৯ | ৮২০০৪.৭৭ | ২৬৪৮৫.৫৪ | ১০৮৪৯০.৩২ | ৫৬৮৯৯.০০ | ১৪৯৫১.০০ | ৭১৮৫০.০০ | ৬৬ |
| ৫ | ২০১৯-২০ | ৯২২১৩.৬০ | ২৭৫০১.৯২ | ১১৯৭১৫.৫৩ | ৬৫৮১৭.০০ | ১৬৭৭১.০০ | ৮২৫৮৮.০০ | ৬৯ |
| ৬ | ২০২০-২১ | ৯৬০১১.৩৩ | ২৬৩৩০.০৭ | ১২২৩৪১.৪১ | ৬৪৫২০.০০ | ১৪৬৩৫.০০ | ৭৯১৫৫.০০ | ৬৫ |
| ৭ | ২০২১-২২ | ৯৯৭৫২.৫৮ | ৩৬৮০১.৭৭ | ১৩৬৫৫৪.৩৫ | ৮২৫৪৮.০০ | ২৩৭৫৭.০০ | ১০৬৩০৫.০০ | ৭৮ |
| ৮ | ২০২২-২৩ | ১২৬৬৩৫.২০ | ২৯৮৯০.১৩ | ১৫৬৫২৫.৩৩ | ১০১৮১৫.০০ | ২৫৪৬৮.০০ | ১২৭২৮৩.০০ | ৮১ |
| ৯ | ২০২৩-২৪ | ১১৮৪৩৩.৯৫ | ৫১৫৩২.১৮ | ১৬৯৯৬৬.১৩ | ৯৪১৬২.৯০ | ৪২১৫৩.৭৯ | ১৩৬৩১৬.৬৯ | ৮০ |
| ১০ | ২০২৪-২৫ | ১১৭৫৭২.৯৩ | ৫১০৯৯.৭৭ | ১৬৮৬৭২.৭০ | ৯৯৯০৭.৯৬ | ৪৩৪২১.৭২ | ১৪৩৩২৯.৬৮ | ৮৫ |

অসম বিধান সভা

উত্তৰ দিয়াৰ তাৰিখ - ১৭/০২/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং** : ৭

বিষয় : জল-জীৱন মিছন আঁচনি সম্পৰ্কে

বিধায়ক : শ্ৰীমতী শিৱমণি বৰা

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

(ক) জল-জীৱন মিছনৰ অধীনত বৰ্তমানলৈ অসমত মুঠ কিমান নতুন আঁচনিৰ অনুমোদন দিয়া হ'ল? বৰ্ষ অনুসৰি তথ্য দাখিল কৰিব।

(খ) অনুমোদন দিয়া কিমান আঁচনি বৰ্তমানলৈ সম্পূৰ্ণ হ'ল?

(গ) সম্পূৰ্ণ হোৱা আৰু নিয়মীয়া ভাৱে পানী যোগান ধৰি থকা আঁচনিৰ বিল কিমান ঠিকাদাৰক আদায় দিয়া হ'ল আৰু কিমান সংখ্যক ঠিকাদাৰক আদায় দিবলৈ বাকী আছে?

(ঘ) জল-জীৱন মিছনৰ আঁচনি ৰূপায়ণ হোৱাৰ আগতে কিমান ঘৰ মানুহক বিভাগৰ যোগেদি বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছিল ?

(ঙ) জল-জীৱন মিছনৰ আঁচনি ৰূপায়ণ হোৱাৰ পিছত নতুন আৰু Restoration আঁচনিৰ যোগেদি কিমান ঘৰ মানুহক আৰু কিমান অনুষ্ঠানত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে ?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) জল-জীৱন মিছনৰ অধীনত বৰ্তমানলৈ অসমত মুঠ ২১২২৭ নতুন আঁচনিৰ অনুমোদন দিয়া হ'ল বৰ্ষ অনুসৰি Annexure-I ত তথ্য দাখিল কৰা হ'ল। (NeVA Portal ত upload কৰা হৈছে।)

(খ) বৰ্তমানলৈ অনুমোদন দিয়া ১২১৩৯ খন নতুন আঁচনি সম্পূৰ্ণ হ'ল ।

(গ) বিল আদায় দিয়া ঠিকাদাৰৰ সংখ্যা ৬৯০৬ আৰু বিল বাকী থকা ঠিকাদাৰৰ সংখ্যা ৪১০২ ।

(ঘ) আঁচনি ৰূপায়ণ হোৱাৰ আগতে – ১,১১,৩১১ ঘৰ মানুহক (১.৫৪%) বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছিল।

(ঙ) আঁচনি ৰূপায়ণ হোৱাৰ পিছত – ৫৯০১৭৪৬ ঘৰ মানুহক (৮১.৬৯%), ৪২২১৭ (৯৫%)খন বিদ্যালয়ক আৰু ৩৩৯৮৮ (৯১%) খন অংগনাবাড়ীক বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে।

অসম বিধান সভা

তৰা চিহ্নিত প্ৰশ্ন নং – ৮

উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **চৰকাৰী আৱাস আৰু আঁচনি**

বিধায়কঃ শ্ৰীছামছুল হুদাঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ (নেতুন ভোটাৰ লিষ্ট অনুযায়ী) জনসংখ্যা কিমান ? ইয়াৰ ভিতৰত দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা কিমান ?

(খ) ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ কিমানটা মূল পথ, বাইলেন, সৰুসুৰা ৰাস্তা এই বিভাগৰ আঁচনিৰ দ্বাৰা পকীকৰণ কৰা হ'ল ? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) যোৱা পাঁচটা বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা সমষ্টিত কিমানটা পৰিয়ালে চৰকাৰী আৱাস লাভ কৰিলে আৰু কিমান পৰিয়ালে ঘৰ লাভ কৰিবলৈ বাকী আছে ? Geo Tag কৰা কিমান পৰিয়ালৰ কিস্তি সোমালে আৰু কিমানৰ বাকী আছে?

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ (নেতুন ভোটাৰ লিষ্ট অনুযায়ী) জনসংখ্যা সম্পৰ্কে এই বিভাগ অৱগত নহয়। কিন্তু বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ (নেতুন ভোটাৰ লিষ্ট অনুযায়ী) ভোটাৰৰ সংখ্যা ২৮০৪৬১ জন।

দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(খ) **MGNREGA:** ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ অধীনত ক্ৰমে ১৪ আৰু ১১ টা ৰাস্তাৰ কাম MGNREGA আঁচনিৰ অধীনত বৰ্তমান চলিত অৱস্থাত আছে। সবিশেষ তথ্য **পৰিশিষ্ট- 'ক'** সংলগ্ন কৰা হ'ল।

**Finance Commission**: ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বিৰসিং জৰুৱা বিধান সভা সমষ্টিত পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত মূল পথ, বাইলেন আৰু সৰুসুৰা ৰাস্তাৰ (Paver Block) ৰ ৪ টা কামৰ আচঁনি যুগুত কৰা হৈছে আৰু যোৱা ০৫-০২-২০২৬ ইং তাৰিখে জিলা পৰিকল্পনা সমিতি (DPC) য়ে অনুমোদন দিছে। উক্ত কামসমূহ অতি সোনকালে আৰম্ভ কৰা হব।

| ক্ৰ নং | উন্নয়নৰ খণ্ডৰ নাম | বিত্তীয় বৰ্ষ | | মুঠ |
|---|---|---|---|---|
| | | ২০২৪-২৫ | ২০২৫-২৬ | |
| ১ | বিৰশিং জৰুৱা | ০ | ১ | ১ |
| ২ | নস্কৰা-জামাদাৰহাট | ২ | ১ | ৩ |
| ৩ | নায়েৰআলগা | ০ | ০ | ০ |
| মুঠ | | ২ | ২ | ৪ |

(গ) প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (PMAY-G) ৰ অধীনত যোৱা পাঁচটা বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধানসভা সমষ্টিত সৰ্বমুঠ ২৭,০২৩ টা ঘৰ অনুমোদন জনোৱা হৈছে। ইয়াৰে ১৭,৫৫৫ টা নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। আৰু বাকী থকা ৯৪৬৮ টা চৰকাৰী ঘৰৰ নিৰ্মাণ কাৰ্য্য চলি আছে। ইয়াৰ খণ্ড উন্নয়ন ভিত্তিক ঘৰৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হ'ল-

| ক্ৰমিক নং | বিধানসভাৰ নাম | উন্নয়ন খণ্ডৰ নাম | অনুমোদন দিয়া গৃহৰ সংখ্যা | নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা গৃহৰ সংখ্যা | নিৰ্মাণ বাকী থকা গৃহৰ সংখ্যা |
|---|---|---|---|---|---|
| ১ | বিৰসিং জৰুৱা | বিৰসিং জৰুৱা | ৯,৯৮০ | ৬,৮১০ | ৩,১৭০ |
| ২ | বিৰসিং জৰুৱা | নাসকাৰা জামাদাৰহাট | ৭,৬১৩ | ৩,৮১৯ | ৩,৭৯৪ |
| ৩ | বিৰসিং জৰুৱা | নায়েৰালগা | ৯,৪৩০ | ৬,৯২৬ | ২,৫০৪ |
| মুঠ | | | ২৭,০২৩ | ১৭,৫৫৫ | ৯,৪৬৮ |

বিৰসিং জৰুৱা সমষ্টিত আৱাস প্লাছৰ চুৰান্ত অপেক্ষাৰত তালিকা (PWL)ৰ মুঠ ১১,১৮২ টা পৰিয়ালৰ বিপৰীতে মুঠ ১০,৬৮১ টা পৰিয়ালক ঘৰৰ অনুমোদন প্ৰদান কৰা হৈছে। বাকী থকা ৫০১ টা পৰিয়ালক অতি সোনকালে অনুমোদন প্ৰদান কৰা হ'ব।

২০২৫-২৬ বৰ্ষত সমগ্ৰ দেশৰ লগতে অসমতো আৱাস প্লাছ ২০২৪ ৰ জৰীপৰ অধীনত Geo Tag কৰা হয়। সদ্যহতে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ নীতি নিৰ্দেশনা অনুসৰি জৰীপ হৈ যোৱা পৰিয়ালসমূহৰ সত্যাপনৰ (Verification) কাম চলি আছে। এই প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ দ্বাৰা যোগ্য হিতাধিকাৰীৰ স্থায়ী অপেক্ষাকৃত তালিকা প্ৰস্তুত কৰা হ'ব। গতিকে আৱাস প্লাছ ২০২৪ ৰ অধীনত ২০২৫ বৰ্ষত Geo Tag হোৱা কোনো পৰিয়ালে এতিয়ালৈ কোনো কিস্তি লাভ কৰা নাই।

(সংলগ্ন পত্ৰ সমূহ **'cms.neva.gov.in'** পোৰটেলত আপলোড কৰা হৈছে)

(Enclosures are uploaded in the **'cms.neva.gov.in' portal.)**

*******

অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং – ৯
উত্তৰ দিয়াৰ তাৰিখ-১৭ / ০২/২০২৬

*বিষয়ঃ* **জব কাৰ্ডৰ হিতাধিকাৰী**
বিধায়কঃ ডাঃ আচিফ মহম্মদ নাজাৰ:

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লাহৰীঘাট ব্লক আৰু ভূৰাগাঁও ব্লকৰ অধীনত জব কাৰ্ডৰ মুঠ কিমান গৰাকী হিতাধিকাৰী আছে? তথ্য সহকাৰে জনাব।

(খ) লাহৰীঘাট ব্লক আৰু ভূৰাগাঁও ব্লকৰ অধীনত থকা জব কাৰ্ডৰ মুঠ হিতাধিকাৰী কিমান সংখ্যকে ১০০ দিনৰ কৰ্ম সংস্থাপন লাভ কৰিছে? তথ্য সহকাৰে জনাব।

(গ) লাহৰীঘাট আৰু ভূৰাগাঁও ব্লকৰ অধীনত কিমান সংখ্যক বৃদ্ধ পেঞ্চন, বিধবা পেঞ্চন আৰু বিকলাংগৰ হিতাধিকাৰী আছে ? তাৰে কিমান সংখ্যকে আঁচনিৰ ধন লাভ কৰিছে আৰু কিমান বাকী আছে ? তথ্য সহকাৰে জনাব।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) লাহৰীঘাট আৰু ভুৰাগাওঁ উন্নয়ন খণ্ডৰ অধীনত জৱ কাৰ্ড ধাৰী মুঠ পৰিয়ালৰ সংখ্যা আৰু ব্যক্তিৰ সংখ্যা তলত উল্লেখ কৰা হল:-

| উন্নয়ন খণ্ড | মুঠ জৱকাৰ্ডৰ সংখ্যা | মুঠ ব্যক্তিৰ সংখ্যা |
|---|---|---|
| লাহৰীঘাট | ৪৯,৮৩৮ | ৯৭,২০২ |
| ভুৰাগাঁও | ৩৫,৮২৫ | ৭১,৬৪৫ |

এই সন্দৰ্ভত সবিশেষ তথ্য "**পৰিশিষ্ট ক**" ত সংলগ্ন কৰা হল।

(খ) লাহৰীঘাট আৰু ভুৰাগাঁও উন্নয়ন খণ্ডৰ অধীনত থকা জৱ কাৰ্ড ধাৰী পৰিয়ালৰ ভিতৰত ১০০ দিনৰ কৰ্ম সংস্থাপন লাভ কৰা পৰিয়ালৰ সংখ্যা তলত উল্লেখ কৰা হ'ল:-

| উন্নয়ন খণ্ড | মুঠ জৱকাৰ্ডৰ সংখ্যা | ৮১-৯৯ দিনৰ কৰ্ম সংস্থাপন লাভ কৰা পৰিয়ালৰ সংখ্যা | ১০০ দিনৰ কৰ্ম সংস্থাপন লাভ কৰা পৰিয়ালৰ সংখ্যা |
|---|---|---|---|
| লাহৰীঘাট | ৪৯,৮৩৮ | ১৬৯৩ | ১৫ |
| ভুৰাগাঁও | ৩৫,৮২৫ | ৯২৪ | ০ |

(গ) অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা সামাজিক সাহায্য আঁচনি অনুযায়ী লাহৰীঘাট আৰু ভুৰাগাঁও ব্লকৰ অধীনত থকা মুঠ হিতাধিকাৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল:

| উন্নয়ন খণ্ডৰ নাম | বৃদ্ধ পেঞ্চন লাভ কৰা মুঠ হিতাধিকাৰীৰ সংখ্যা | বিধৱা পেঞ্চন লাভ কৰা মুঠ হিতাধিকাৰীৰ সংখ্যা | দিব্যাংগ পেঞ্চন লাভ কৰা মুঠ হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|---|
| লাহৰীঘাট | ১৭২১৮ | ৯৭৩ | ২৭১ |
| ভুৰাগাঁও | ৬৮২২ | ৩২০ | ১০৭ |

উক্ত আঁচনিসমূহৰ অন্তৰ্গত সকলো হিতাধিকাৰীক পেঞ্চনৰ ধনৰাশি নিয়মিয়াকৈ প্ৰতি মাহে প্ৰদান কৰা হয়।

(সংলগ্ন পত্ৰ সমূহ '**cms.neva.gov.in**' পোৰটেলত আপলোড কৰা হৈছে)
(Enclosures are uploaded in the '**cms.neva.gov.in**' portal.)

*******

অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং – ১০
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **MGNREGA আঁচনিৰ Material ৰ বিল।**
বিধায়কঃ শ্ৰীনিজানুৰ ৰহমানঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গৌৰীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আঠানি আৰু বালাজান উন্নয়ন খণ্ডৰ MGNREGA আঁচনিৰ Material ৰ বিলৰ ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত কিমান টকা চৰকাৰী ভাৱে মোকলাই দিয়া হৈছে ? গাঁও পঞ্চায়ত ভিত্তিত বিতং তথ্য সদনৰ মেজত দাখিল কৰিব।

(খ) এতিয়ালৈকে কিমান টকা সম্পূৰ্ণ হোৱা কামৰ বিপৰীতে মোকলাই দিবলৈ বাকী আছে? বাকী থকা টকাখিনি কিমান দিনৰ ভিতৰত মোকলাই দিয়াৰ ব্যৱস্থা কৰিব ? বিতং তথ্য সদনত দাখিল কৰিব।

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) MGNREGA আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক কেৱল কৰ্ম দিনৰ হে অনুমোদন দিয়ে । পুঁজিৰ ক্ষেত্ৰত অনুমোদনৰ কোনো ব্যৱস্থা নাই। কেন্দ্ৰীয় চৰকাৰে Approved Labour Budget ক ভিত্তি কৰি মজুৰি শিতানৰ ১০০ শতাংশ পুঁজি ৰাজ্যৰ State Nodal Account লৈ মুকলি কৰি দিয়ে আৰু সেই পুঁজি খণ্ড উন্নয়ন সমূহে **Fund Transfer Order** ৰ জৰিয়তে **Public Financial Management System (PFMS)** ৰ মাধ্যমেৰে জব কাৰ্ড হিতাধিকাৰীৰ নিজা নিজা বেংক একাউণ্টলৈ হস্থান্তৰ কৰে।সামগ্ৰী শিতানৰ ক্ষেত্ৰত ৭৫% পুঁজি কেন্দ্ৰীয় চৰকাৰে আৰু২৫% পুঁজি ৰাজ্য চৰকাৰে **SNA Sparsh System** ৰ জৰিয়তে **RBI Account** ৰ মাধ্যমেৰে সামগ্ৰী যোগান কাৰীৰ নিজা নিজা বেংক একাউণ্টলৈ হস্থান্তৰ কৰা হয়।

গৌৰীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আঠানি আৰু বালাজন উন্নয়ণ খণ্ড দুটা ২০২৪ চনত সমষ্টি পুনৰ নিৰ্ধাৰণৰ সময়ত গঠন হৈছিল । সেইবাবে ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত কোনোধৰণৰ Material বিলৰ টকা উক্ত উন্নয়ণ খণ্ড দুটাক অনুমোদন দিয়া হোৱা নাছিল। তথাপি ২০২৫-২৬ বিত্তীয় বৰ্ষত আঠানি উন্নয়ণ খণ্ডলৈ ১৩৩.২৫ লাখ আৰু বালাজান উন্নয়ণ খণ্ডলৈ ৩০৭.৯৩ লাখ টকা অনুমোদন দিয়া হৈছে। Material বিলৰ টকা অনুমোদন উন্নয়ণ খণ্ড ভিত্তিতহে দিয়া হয়।

(খ) গৌৰীপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত আঠানি আৰু বালাজান উন্নয়ন খণ্ডত (Material) সামগ্ৰী **শিতানত** ক্ৰমে **১৭১.৫১ লাখ টকা** আৰু **৭০.৬০ লাখ টকা** ৰূপায়ন হোৱা কামৰ বিপৰীতে মোকলাই দিবলৈ বাকী আছে ।

কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ণ বিভাগে ৰাজ্য চৰকাৰলৈ সামগ্ৰী শিতানৰ পুঁজি মোকলাই দিলে সেই পুঁজি উন্নয়ন খণ্ড সমূহলৈ অনাদায় হৈ থকা ধনৰ বিপৰীতে মোকলাই দিয়া হ'ব।

*******

/

**ASSAM LEGISLATIVE ASSEMBLY**
**STARRED QUESTION NO: 11**
**DATE OF REPLY- 17/02/2026**

Subject : Baghbar Cattle Market etc.

MLA : Shri Sherman Ali Ahmed :

Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) As per reply of unstarred Q.No 31(a) dated 06-02-2024, "No private hats.....shall be allowed to operate....without prior approval of the concerned Panchayat authorities..."

Why 'Baghbar Cattle' market is allowed without prior approval of the concerned Panchayat authorities and Government?

(b) In the said reply, it is also stated that "Baghbar Cattle Market has been in operation prior to the amendment of the Assam Panchayat Act."

Is there any provision in the amended Panchayat Act that private cattle market in operation prior to the amendment shall be outside the purview of the amended Panchayat Act? If not, why the house is misled?

(c) As per reply in (b), since registration certificate is not issued and hence in violation of Assam Cattle Preservation Act, 2021, why the illegal market is not stopped from its operation?

(d) Is it true that district administration is extracting bribe of Rs.12 Lakhs p.m. from the market?

## REPLY

Shri Ranjeet Kumar Dass, Hon'ble Minister, Panchayat & Rural Development will reply:

a) With reference to the replies submitted by P & RD Department to the Unstarred Question No. 31(a) dated 06/02/2024, it is reiterated that as per Section 107 of the Assam Panchayat (Amendment) Act, 2023; "No private haats, ghats and fisheries shall be allowed to operate within the area under the jurisdiction of a Gaon Panchayat without prior approval of the concerned Panchayat authorities and Government. The Panchayat shall impose such fees as may be prescribed."

It may be stated that several private markets across the State including Baghbar Cattle Market in Barpeta District have already applied for prior approval of the Government as per Section 107 of the Assam Panchayat (Amendment) Act, 2023. The Government is actively examining all such proposals so that revenue may be collected from the private markets as per provision of the Rule 47 (19) of the Assam Panchayat (Financial) (Amendment) Rules, 2025.

In fact, the Chief Executive Officers of all the Zilla Parishads have already been instructed to ensure that all private markets obtain prior approval of the competent authorities in compliance of the Section 107 of the Assam Panchayat (Amendment) Act, 2023. Further they have also been instructed to take necessary steps to close

down the private markets who defy to comply with the provisions of the Assam Panchayat (Amendment) Act, 2023 and the Assam Panchayat (Financial) (Amendment) Rules, 2025.(**ANNEXURE-A**)

**(b)** It is true that the Baghbar Cattle Market has been in operation prior to the amendment of the Assam Panchayat (Amendment) Act, 2023.

There is no provision to exclude the private markets which have been in operation prior to the amendment of the Assam Panchayat (amendment) Act, 2023 from the purview of the Amended Act. All the private markets in the state would come under the ambit of the Assam Panchayat (Amendment) Act, 2023 and Assam Panchayat (Financial) (Amendment) Rules, 2025.

Therefore, the House was not misled in any terms.

**(c)** Vide this Department's letter dated 16.12.2025, Chief Executive Officers of the Zilla Parishads have already been instructed to take necessary steps to close down the private markets who defy to comply with the provisions of the Assam Panchayat (Amendment) Act, 2023 and the Assam Panchayat (Financial) (Amendment) Rules, 2025. (**ANNEXURE-A**).

**(d)** No such information has been received by the Government.

**(Enclosures have been uploaded in the www.cms.neva.gov.in portal)**

অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং – ১২
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **বরাক উপত্যকায় এম জি এন রেগা (MGNREGA) প্রকল্পসমূহের অনুমোদনে বিলম্ব সংক্রান্ত।**

বিধায়কঃ শ্ৰীখলিল উদ্দিন মজুমদাৰঃ

<u>প্রশ্ন</u>

মাননীয় পঞ্চায়েত ও গ্রামোন্নয়ণ বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কীঃ

(ক) বরাক উপত্যকার অন্তর্গত কাছার জেলার কাটিগড়া বিধানসভা কেন্দ্রসহ বিভিন্ন ব্লকের অধীনে এম জি এন রেগা (MGNREGA) প্রকল্পের কাজসমূহ ব্লক স্তর থেকে যথাযথ প্রক্রিয়ায় জেলা প্রশাসনের নিকট প্রেরিত হওয়া সত্ত্বেও এখনো পর্যন্ত অনুমোদন প্রদান করা হয়নি। সরকার কি এ বিষয়ে অবগত আছেন?

(খ) যদি অবগত থাকেন, তবে উক্ত এম জি এন রেগা প্রকল্পসমূহ অনুমোদনে দীর্ঘ বিলম্বের নির্দিষ্ট প্রশাসনিক বা কারিগরি কারণসমূহ কী, তা স্পষ্টভাবে জানাবেন কী?

(গ) সরকার কি জানেন যে সময়মত অনুমোদন না পাওয়ার ফলে সংশ্লিষ্ট এম জি এন রেগা প্রকল্পসমূহ বাস্তবায়ন ব্যাহত হওয়ার আশঙ্কা সৃষ্টি হয়েছে এবং এর ফলে গ্রামীণ শ্রমজীবী মানুষের কর্মসংস্থান মারাত্মকভাবে ক্ষতিগ্রস্ত হতে পারে, বিশেষত আসন্ন নির্বাচনের প্রাক্কালে?

(ঘ) উক্ত পরিস্থিতির পরিপ্রেক্ষিতে এম জি এন রেগা প্রকল্পসমূহ দ্রুত অনুমোদনের জন্য সরকার কি কোনও বিশেষ নির্দেশনা জারি করবেন অথবা নির্দিষ্ট সময়সীমা নির্ধারণ করবেন কি না? করলে, তার বিস্তারিত বিবরণ প্রদান করবেন কী?

(ঙ) বরাক উপত্যকায় এম জি এন রেগা প্রকল্প বাস্তাবায়নের ক্ষেত্রে ভবিষ্যতে এ ধরণের প্রশাসনিক বিলম্ব ও জটিলতা এড়ানোর লক্ষ্যে সরকার কি কোনও কার্যকর ও স্থায়ী পদক্ষেপ গ্রহণ করতে চলেছেন? করলে, তার বিবরণ প্রদান করবেন কী?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) Mahatma Gandhi NREGAৰ Operational Guidelineৰ দফা 2.3 অনুসৰি "The DPC is responsible for the implementation of the scheme in the district, in accordance with the provisions made in the MGNREGA 2005 and rules and guidelines made there under" সেইমৰ্মে Mahatma Gandhi NREGA আঁচনিৰ কামসমূহ গাঁও সভাৰ অনুমোদন সাপেক্ষে জিলা আয়ুক্তই কামৰ চাহিদা অনুসৰি প্ৰশাসনিক অনুমোদন প্ৰদান কৰে। এই দফাৰ প্ৰতিলিপি **পৰিশিষ্ট-ক**'ত সংলগ্ন কৰা হল।

NREGAsoft ত পোৱা তথ্য অনুসৰি কাটিগড়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কাটিগড়া আৰু কালাইন উন্নয়ন খণ্ডত ২০২৫-২৬ বিত্তীয় বৰ্ষত সৰ্বমুঠ ১৫৪ খন আঁচনিৰ কাম DPC ৰ অনুমোদন সাপেক্ষে গ্ৰহণ কৰা হৈছে। বিত্তীয় বৰ্ষ ২০২৫-২৬ ত গ্ৰহণ কৰা এই আঁচনিসমূহৰ সবিশেষ তথ্য **পৰিশিষ্ট-খ**'ত সংলগ্ন কৰা হল।

পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ণ বিভাগৰ দ্বাৰা ইতিমধ্যে ৰাজ্যখনৰ সকলো জিলালৈ বছৰৰ সকলো সময়তে প্ৰতিটো গাঁও পঞ্চায়তত ৩০ খনকৈ আঁচনি সাজু ৰাখিবলৈ নিৰ্দেশনা প্ৰেৰণ কৰা

হৈছে যাতে জব কাৰ্ডধাৰী লোকসকলে কামৰ বাবে আবেদন কৰিলে কাম প্ৰদান কৰিব পাৰি। এই পত্ৰৰ প্ৰতিলিপি **পৰিশিষ্ট-গ**'ত সংলগ্ন কৰা হল।

(খ) Mahatma Gandhi NREGA আঁচনিৰ কামসমূহ গাঁও সভাৰ অনুমোদন সাপেক্ষে জিলা আয়ুক্ত তথা জিলা আঁচনি সমন্বয়কে (District Programme Coordinator) কামৰ চাহিদা অনুসৰি প্ৰশাসনিক অনুমোদন প্ৰদান কৰে।

প্ৰণিধানযোগ্য যে জিলা আঁচনি সমন্বয়কৰ দ্বাৰা প্ৰকল্প বিলম্ব হোৱাৰ কোনো অভিযোগ / তথ্য বিভাগে লাভ কৰা নাই।

উক্ত বিষয় সন্দৰ্ভত বিভাগে অভিযোগ লাভ কৰিলে পৰ্য্যায়ক্ৰমে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

(গ) MGNREGA আঁচনিৰ প্ৰধান উদ্দেশ্য হৈছে গ্ৰামাঞ্চলত কৰ্মদিনৰ সৃষ্টি কৰি গ্ৰাম্য জনজীৱনত আৰ্থিক অৱিহনা যোগোৱা আৰু গ্ৰামাঞ্চলত বিভিন্ন ধৰনৰ সম্পদ সৃষ্টিৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰা। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন অনুসৰি এটা বিত্তীয় বৰ্ষত ৰূপায়িত হব লগীয়া সকলো ধৰনৰ আঁচনি সমূহ গাওঁ সভাৰ জৰিয়তে গ্ৰহন কৰা হয় আৰু সেই গৃহীত আঁচনি সমূহ প্ৰশাসনীয় অনুমোদনৰ বাবে জিলা আঁচনি সমন্বয়কলৈ (District Programme Coordinator) পঠোৱা হয়। জিলা আঁচনি সমন্বয়কৰ অনুমোদন সাপেক্ষে পৰৱৰ্তী পৰ্য্যায়ত আঁচনি সমূহ ৰূপায়িত কৰা হয়।

Mahatma Gandhi NREGA আঁচনিৰ কামসমূহ গাঁও সভাৰ অনুমোদন সাপেক্ষে জিলা আয়ুক্তই কামৰ চাহিদা অনুসৰি প্ৰশাসনিক অনুমোদন প্ৰদান কৰে।

Mahatma Gandhi NREGA অনুসৰি, যদি এজন ব্যক্তিয়ে কাম বিচৰাৰ ১৫ দিনৰ ভিতৰত কাম লাভ নকৰিলে, উক্ত ব্যক্তিজনক নিবনুৱা ভাট্টা প্ৰদান কৰা হয়। NREGAsoft ত পোৱা তথ্য অনুসৰি কাছাৰ জিলাত ২০২৫-২৬ বিত্তীয় বৰ্ষত নিবনুৱা ভাট্টা পাব লগা ব্যক্তিৰ সংখ্যা হল শূন্য (০)।

এই বিত্তীয় বৰ্ষত Mahatma Gandhi NREGA ৰ অধীনত বৰাক উপত্যকাত সৰ্বমুঠ ৪৯.২৫ লাখ কৰ্মদিনৰ সৃষ্টি হৈছে। জিলাভিত্তিক সবিশেষ তথ্য **পৰিশিষ্ট-ঘ** ত সংলগ্ন কৰা হল।

(ঘ) আঁচনি অনুমোদনৰ ক্ষেত্ৰত কোনোধৰণৰ সময়সীমা নাথাকে যিহেতু MGNREGA ৰ অধীনত কামৰ চাহিদা অনুসৰি আৰু গাঁও সভাৰ অনুমোদন সাপেক্ষে আঁচনিৰ কাম হাতত লোৱা হয়।

(ঙ) আঁচনি অনুমোদনৰ পলম হোৱা সন্দৰ্ভত লিখিত অভিযোগ লাভ কৰিলে এই বিভাগৰ পৰা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

(সংলগ্ন পত্ৰ সমূহ **'cms.neva.gov.in'** পোৰটেলত আপলোড কৰা হৈছে)

(Enclosures are uploaded in the **'cms.neva.gov.in' portal.)**

*******

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা চিহ্নিত প্ৰশ্ন নং** : **১৩**

বিষয় : জলজীৱন আঁচনি ৰূপায়ণৰ সম্পৰ্কে

বিধায়ক : শ্ৰীজাকিৰ হুছেইন সিকদাৰ :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) বৰ্তমানলৈকে অসমত কিমানখন জল-জীৱন আঁচনি নিৰ্মাণ কৰা হৈছে ? ইয়াৰে কিমানখন আঁচনিৰ পৰা জনসাধাৰণে বিশুদ্ধ খোৱা পানী লাভ কৰিছে ? সমষ্টি ভিত্তিত আঁচনিসমূহৰ তালিকা দিব ।

(খ) জল-জীৱন আঁচনিৰ অধীনত কাম কৰা ঠিকাদাৰসকলক মুঠ কিমান টকা আদায় দিয়া হৈছে আৰু কিমান টকা কোন কোন ঠিকদাৰে বা নিৰ্মাণ প্ৰতিষ্ঠানে পাব লগা আছে, তাৰ তালিকা দিব । এই পাবলগা ধনখিনি চৰকাৰে কেতিয়া মোকলাই দিব ?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) বৰ্তমানলৈকে অসমত ২৭৫৩০ খন আঁচনি হাতত লোৱা হৈছিল আৰু তাৰে ১৯৫১৭খন আঁচনি সম্পুৰ্ণ কৰা হৈছে । ১৪৮৯৪ খন আঁচনিৰ যোগেদি জনসাধাৰনে বিশুদ্ধ খোৱা পানী লাভ কৰিছে। সংমন্ডল ভিত্তিক তালিকা Annexure-I আৰু Annexure-IIত সংলগ্ন কৰা হ'ল। (NeVA Portal ত upload কৰা হৈছে।)

(খ) জলজীৱন মিছন আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ১৯৫৩৮.১৯ কোটি টকা আদায় দিয়া হৈছে । ঠিকাদাৰ বা নিৰ্মাণ প্ৰতিষ্ঠান সমূহক বাকী থকা ধনৰাশি মুঠ ২৭৪২.২৯ কৌটি টকাৰ তালিকা Annexure IIIত সংলগ্ন কৰা হ'ল । বাকী থকা ধনৰাশি বিতৰণৰ বাবে পুঁজিৰ দাবী ইতিমধ্যে মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰা হৈছে। বিষয়টো উপযুক্ত স্তৰত উত্থাপন কৰা হৈছে, আৰু ধন লাভৰ ওপৰত নিৰ্ভৰ কৰি ধন পৰিশোধ কৰা হ'ব। (NeVA Portal ত upload কৰা হৈছে।)

## অসম বিধান সভা

## উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং** : ১৪

বিষয় : তিতাবৰৰ গাঁও অঞ্চলত বিশুদ্ধ খোৱা পানীৰ অভাৱ।

বিধায়ক : শ্ৰীভাস্কৰ জ্যোতি বৰুৱা :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) চৰকাৰে জল-জীৱন মিছনৰ ব্যাপক প্ৰচাৰ চলোৱা দেখা গৈছে যদিও তিতাবৰৰ গাঁও অঞ্চলৰ বেছিভাগ লোকে বিশুদ্ধ খোৱা পানী পোৱা নাই। জনস্বাস্থ্য কাৰিকৰী বিভাগে এতিয়ালৈকে শতকৰা কিমানখন গাঁৱত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব পাৰিছে এই বিষয়ে চৰকাৰে তথ্য সহকাৰে জনাবনে ?

(খ) চৰকাৰে কেতিয়ালৈ নিয়মীয়াকৈ এই গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব ? এই বিষয়ে বিতং ভাবে জনাব।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) যোৰহাট জিলাৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ দ্বাৰা জল জীৱন মিছনৰ অধীনত তিতাবৰৰ ১৮৯ খন ৰাজহ গাঁও ৰ ভিতৰত ৭৫(৩৯.৬৮%) খন গাঁওত সম্পূৰ্ণভাৱে আৰু ৯৯(৫২.৩৮%) খন গাঁওত আংশিকভাৱে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰি থকা হৈছে। বাকী থকা ১৫(৭.৯৩%) খন গাঁওত বৰ্তমানলৈকে পানী যোগান ব্যৱস্থা প্ৰদান কৰা হোৱা নাই। বিতং তথ্য প্ৰশ্নোত্তৰৰ লগত সংলগ্ন কৰি দিয়া হৈছে(Annexure I) (NeVA Portal ত upload কৰা হৈছে।)

(খ) বৰ্তমানে জল জীৱন মিছনৰ অধীনত আঁচনি সমূহৰ বাকী থকা কামসমূহ পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰি গাঁও সমূহত বিশুদ্ধ খোৱা পানী যোগান ধৰা হ'ব ।

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা চিহ্নিত প্ৰশ্ন নং : ১৪**

বিষয় : তিতাবৰৰ গাঁও অঞ্চলত বিশুদ্ধ খোৱা পানীৰ অভাৱ।

বিধায়ক : শ্ৰীভাস্কৰ জ্যোতি বৰুৱা :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) চৰকাৰে জল-জীৱন মিছনৰ ব্যাপক প্ৰচাৰ চলোৱা দেখা গৈছে যদিও তিতাবৰৰ গাঁও অঞ্চলৰ বেছিভাগ লোকে বিশুদ্ধ খোৱা পানী পোৱা নাই। জনস্বাস্থ্য কাৰিকৰী বিভাগে এতিয়ালৈকে শতকৰা কিমানখন গাঁৱত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব পাৰিছে এই বিষয়ে চৰকাৰে তথ্য সহকাৰে জনাবনে ?

(খ) চৰকাৰে কেতিয়ালৈ নিয়মীয়াকৈ এই গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব ? এই বিষয়ে বিতং ভাবে জনাব।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) যোৰহাট জিলাৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ দ্বাৰা জল জীৱন মিছনৰ অধীনত তিতাবৰৰ ১৮৯ খন ৰাজহ গাঁও ৰ ভিতৰত ৭৫(৩৯.৬৮%) খন গাঁওত সম্পূৰ্ণভাৱে আৰু ৯৯(৫২.৩৮%) খন গাঁওত আংশিকভাৱে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰি থকা হৈছে। বাকী থকা ১৫(৭.৯৩%) খন গাঁওত বৰ্তমানলৈকে পানী যোগান ব্যৱস্থা প্ৰদান কৰা হোৱা নাই। বিতং তথ্য প্ৰশ্নোত্তৰৰ লগত সংলগ্ন কৰি দিয়া হৈছে(Annexure I) (NeVA Portal ত upload কৰা হৈছে।)

(খ) বৰ্তমানে জল জীৱন মিছনৰ অধীনত আঁচনি সমূহৰ বাকী থকা কামসমূহ পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰি গাঁও সমূহত বিশুদ্ধ খোৱা পানী যোগান ধৰা হ'ব ।

## অসম বিধান সভা
## উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং** : **১৪**
বিষয় : তিতাবৰৰ গাঁও অঞ্চলত বিশুদ্ধ খোৱা পানীৰ অভাৱ।
বিধায়ক : শ্ৰীভাস্কৰ জ্যোতি বৰুৱা :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) চৰকাৰে জল-জীৱন মিছনৰ ব্যাপক প্ৰচাৰ চলোৱা দেখা গৈছে যদিও তিতাবৰৰ গাঁও অঞ্চলৰ বেছিভাগ লোকে বিশুদ্ধ খোৱা পানী পোৱা নাই। জনস্বাস্থ্য কাৰিকৰী বিভাগে এতিয়ালৈকে শতকৰা কিমানখন গাঁৱত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব পাৰিছে এই বিষয়ে চৰকাৰে তথ্য সহকাৰে জনাবনে ?

(খ) চৰকাৰে কেতিয়ালৈ নিয়মীয়াকৈ এই গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব ? এই বিষয়ে বিতং ভাবে জনাব।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) যোৰহাট জিলাৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ দ্বাৰা জল জীৱন মিছনৰ অধীনত তিতাবৰৰ ১৮৯ খন ৰাজহ গাঁও ৰ ভিতৰত ৭৫(৩৯.৬৮%) খন গাঁওত সম্পূৰ্ণভাৱে আৰু ৯৯(৫২.৩৮%) খন গাঁওত আংশিকভাৱে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰি থকা হৈছে। বাকী থকা ১৫(৭.৯৩%) খন গাঁওত বৰ্তমানলৈকে পানী যোগান ব্যৱস্থা প্ৰদান কৰা হোৱা নাই। বিতং তথ্য প্ৰশ্নোত্তৰৰ লগত সংলগ্ন কৰি দিয়া হৈছে(Annexure I) (NeVA Portal ত upload কৰা হৈছে।)

(খ) বৰ্তমানে জল জীৱন মিছনৰ অধীনত আঁচনি সমূহৰ বাকী থকা কামসমূহ পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰি গাঁও সমূহত বিশুদ্ধ খোৱা পানী যোগান ধৰা হ'ব ।

# ASSAM LEGISLATIVE ASSEMBLY
# REPLY DATE – 17/02/2026

**Starred Question No.** : **15**
Subject : **Greater Ramnagar PWSS**
MLA : **Shri Dipayan Chakraborty** :

**Will the Minister of PHE Department be pleased to state:**

(a) In view of the reply given to Starred Question No. 77 dated 13-09-2022 and Starred Question No 27 dated 14-03-2023, wherein it was stated that more than 55% of the work under the Greater Ramnagar Public Water Supply Scheme (PWSS) had been completed and that the proposal for conversion of Head of Accounts to SOPD was under process, whether the said conversion has been approved ?
(b) What is the present status of the balance work and by when the scheme is likely to be fully completed and commissioned ?
(c) Whether mandatory procedures such as back wash operations, pressure testing and water quality testing of the laid pipelines have been completed? If not, by when these are likely to be completed ?
(d) Whether the Government has fixed any specific timeline for ensuring regular and uninterrupted drinking water supply to the residents of Greater Ramnagar area ?
(e) Whether it is a fact that the Public Health Engineering Department has Proposed a scheme under SOPD amounting to Rs. 30.49 lakh for restoration of the Tarapur Pt-VII WSS?

**ANSWER**

**The Hon'ble Minister of Public Health Engineering Department Shri JayantaMallaBaruah will give the answer:**

(a) No, the proposal for conversion of Head of Accounts in SOPD has not been approved. Process is going on.
(b) Balance work will be completed after obtaining the necessary approval.
(c) Necessary testing will be done after completion of the work.
(d) Presently supply of drinking water is maintained regularly from the nearby water source (Ramnagar Anowa) after necessary treatment.
(e) Yes, proposal for the restoration of Tarapur Pt-VII piped water supply scheme for an amount of Rs. 30.49 Lakh has been submitted and approval is under process.

# অসম বিধান সভা
## উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং : ১৬**
বিষয় : জলজীৱন মিছন
বিধায়ক : শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) নগাঁও আৰু ধিং জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত মুঠ কিমান জলজীৱন মিছনৰ আঁচনি অনুমোদন কৰা হৈছিল ?
(খ) তাৰ ভিতৰত কিমান আঁচনিৰ কাম সম্পূৰ্ণ হৈছে, কিমান আঁচনিৰ কাম অসমাপ্ত হৈ আছে আৰু কিমান আঁচনিৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই ?
(গ) অসমাপ্ত কাম সমূহ কিয় সমাপ্ত হোৱা নাই আৰু কেতিয়ালৈ সম্পূৰ্ণ হ'ব ?
(ঘ) কিমান সংখ্যক আঁচনিৰ বিল সম্পূৰ্ণৰূপে ঠিকাদাৰক আদায় দিয়া হৈছে আৰু কিমান বাকী আছে ? বাকী থকা বিলৰ টকা কেতিয়া আদায় দিয়া হ'ব ?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাওঁ সংমণ্ডলৰ অধীনত মুঠ ৭১১ খন আঁচনি অনুমোদন কৰা হৈছিল। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ধিং সংমণ্ডলৰ অধীনত ২৯২ খন জল- জীৱন মিছন আঁচনিৰ কামৰ অনুমোদন জনোৱা হৈছিল।
(খ) নগাওঁ সংমণ্ডলৰ অধীনত ৪৬৩ খন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু ২৪৩ খন আঁচনিৰ কাম অসমাপ্ত হৈ আছে। ৫ খন আঁচনিৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই। ধিং সংমণ্ডলৰ অধীনত ১৮৫ খন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে, ১০৭ খন আঁচনিৰ কাম অসম্পূৰ্ণ হৈ আছে। কাম আৰম্ভ নোহোৱা আঁচনি ধিং সংমণ্ডলৰ অধীনত নাই।
(গ) অসমাপ্ত কাম সমূহ Stand-still period চলি থকাৰ বাবে সমাপ্ত হোৱা নাই। সেই অসমাপ্ত হৈ থকা কাম সমূহ Stand-still period খোলাৰ পিছত সম্পূৰ্ণ কৰা হ'ব।
(ঘ) নগাঁও সংমণ্ডলৰ অধীনত, ২৮ খন আঁচনিৰ Final বিল সম্পূৰ্ণৰূপে ঠিকাদাৰক আদায় দিয়া হৈছে আৰু ৬৬১ খন বিল আদায় দিবলৈ বাকী আছে। ১৭ খন আঁচনিৰ কাম আৰম্ভ হৈছে যদিও বিল প্ৰস্তুত কৰা নাই । ৫ খন আঁচনিৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই ।
বাকী থকা বিলৰ টকা চৰকাৰৰ পৰা পুঁজি লাভ কৰিলেই আদায় দিয়া হ'ব। ধিং সংমণ্ডলৰ অধীনত ৭১ টা আঁচনিৰ বিল সম্পূৰ্ণ ৰূপে ঠিকাদাৰক আদায় দিয়া হৈছে আৰু ২২১ টা আঁচনিৰ বিল আদায় দিবৰ বাবে বাকী আছে।
বাকী থকা বিলৰ টকা চৰকাৰৰ পৰা পুঁজি লাভ কৰিলেই আদায় দিয়া হ'ব।

**ASSAM LEGISLATIVE ASSEMBLY**
**STARRED QUESTION NO.17**
**DATE OF REPLY: 17-02-2026**

**Name of MLA :** Shri Abdur Rashid Mandal
**Sub :** Construction of 4 nos. Roads including Box culverts and Pacca Drainages in Lakhipur Town under NLCPR

**Will the Minister of Housing & Urban Affairs Department be pleased to state :**

(a) Please furnish in details related to the construction of 4 nos. Roads including Box culverts and Pacca Drainages in Lakhipur Town under NLCPR.

(i) Name and address of the contractor.
(ii) Reference AA & FO No. & dt. from the Govt. of India and the Govt. of Assam.
(iii) Work order no. and date.
(iv) Date of Commencement.
(v) Time period allowed as per work order.
(vi) Details of terms and conditions laid in the NIT and tender agreement signed by the contractor in the Form-2.
(vii) Physical progress of works.
(viii) Amount estimated, amount sanctioned and amount released to the Lakhipur Town Committee by the Govt. (Please furnish the share of the Central Govt. and the State Govt. Separately) and amount paid to the contractor.

(b) Whether the contractor is complying all the terms and conditions laid in the tender agreement ? If yes, why the work is not completed within the stipulated period? If not, what actions are taken against the contractor?
(c) What steps are taken for completion of the remaining works?

**ANSWER**

**Shri Jayanta Malla Baruah Hon'ble Minister, Department of Housing & Urban Affairs will reply:-**

(a)

i. **Name - Muslim Ali, Address: Sundor Bari, Guwahati-14, Phn.no. -9957778782**
ii. Letter vide no. 332/2010-NLP (AS) Dated 29 / 12 / 2011 and letter no. PDP (PP) 46 / 2010 / 24 Dated 10th January, 2012 **( Annexure-1)**
iii. LTC-4/2015/NLCPR/Pt-11/74 dtd 23-03-2015 **(Annexure-2)**
iv. 10/08/2015.
v. 18 MONTHS (as per work order.)
vi. Details Annexure-3
vii. 84%
viii. Amount estimated: 1427.77 Lakhs, Amount sanctioned: 1427.77 Lakhs

| Share | Amount released to the Lakhipur Town Committee by the Govt.(Rs. In Lakhs) | Amount paid to the contractor.(Rs. In Lakhs) |
|---|---|---|
| State share | 56.00 | 56.00 |
| | 68.504 | 68.504 |
| | 17.12634 | 17.12634 |
| Central share | 50.00 | 50.00 |
| | 50.00 | 50.00 |
| | 220.00 | 220.00 |
| | 189.58 | 189.58 |
| | 290.00 | 290.00 |
| | 219.18 | 219.18 |
| **Total fund released** | Rs.1160.39034Lakh | Rs.1160.39034Lakh |

(b) The contractor is not complying with all the terms and conditions laid down in the tender agreement. Actions taken against the contractor are as follows:-

1. Notices and several reminders have been sent to the contractor.
2. Due to the lack of a positive response from the contractor, a meeting was held with the District Commissioner, Goalpara.
3. A Meeting has also been held with the Town and Country Planning department.

(c) The steps taken against the contractor for completion of the remaining work are as follows:

Notices and several reminders were issued to the contractor. As no positive response was received, a meeting was held with the District Commissioner, Goalpara, and another meeting was conducted with the Town and Country Planning department. Therefore, as per the information of the Hon'ble High Court, a four-member committee was constituted by the District Commissioner, Goalpara, for measurement of the completed works. However, despite issuing several letters, the technical personnel of the contractor did not attend the inspection. The scheduled inspection dates were cancelled multiple times even after sending reminders, as the technical personnel failed to appear. As a result, the inspection remains pending, and the matter has been reported to the District Commissioner, Goalpara, for further instruction. (Annexure 4)

**NB : Soft copy of the reply has also been submitted through the portal www.cms.neva.gov.in**

**************

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ ১৭-০২-২০২৬**

তৰা চিহ্নিত প্ৰশ্ন নং : ১৮

বিষয় : সমজিলা সম্পৰ্কে

বিধায়ক : শ্ৰীদেৱব্ৰত শইকীয়া :

মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত মুঠ কিমান সম জিলা ঘোষণা কৰা হ'ল ?

(খ) এই সম জিলাৰ বাসিন্দাসকলৰ সহায়ক হোৱাকৈ সকলো সেৱা কেতিয়াৰ পৰা উপলব্ধ কৰিব ?

(গ) নাজিৰা সম জিলাৰ কেতবোৰ চৰকাৰী কাম-কাজৰ বাবে উদাহৰণস্বৰূপে খাদ্য আৰু অসামৰিক আদি এতিয়াও নাজিৰা সম-জিলাৰ পৰা নিয়ন্ত্ৰণ নোহোৱাৰ কাৰণ কি জনাবনে ?

(ঘ) নাজিৰা সম জিলাৰ বাবে আৱৰ্ত ভৱন আৰু নতুন সম-জিলাৰ আয়ুক্ত কাৰ্য্যালয়ৰ বাবে পুঁজি আৱণ্টন কৰাৰ পদক্ষেপ চৰকাৰে লৈছে নে? যদি লোৱা নাই, কেতিয়া ল'ব ?

(ঙ) নাজিৰা সম জিলাত স্থাপন হ'বলগীয়া বিভিন্ন চৰকাৰী কাৰ্য্যালয় আৰু এই কাৰ্য্যালয়সমূহৰ যোগেৰে ৰাইজে সেৱা পাব পৰাকৈ কৰ্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কেতিয়া ল'ব ?

(চ) এতিয়া কোন সমূহ বিভাগৰ কাৰ্য্যালয় নাজিৰাত স্থাপন কৰা হোৱা নাই আৰু যদিহে স্থাপন হৈছে তেওঁলোকৰ কোন সমূহ পদ খালী হৈ আছে অনুগ্ৰহ কৰি জনাব।

**উত্তৰ**

**সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব-**

ক) অসমত মুঠ ৭৮ খন সমজিলা গঠন কৰা হৈছিল। গঠন হোৱা ৭৮ খন সমজিলাৰ বৰ্তমানলৈ ৪৯ খন ( ৩৯+১০) সমজিলা কাৰ্যক্ষম কৰা হৈছে। বিতং তথ্য পৰিশিষ্ট-'ক' ত দাখিল কৰা হ'ল ।

খ) বৰ্তমান কাৰ্যক্ষম হোৱা ৪৯ খন সমজিলাত জনসাধাৰণৰ বাবে বিভিন্ন বিভাগৰ অধীনৰ প্ৰয়োজনীয় সেৱাসমূহ প্ৰদানৰ বাবে বিভাগীয় স্মাৰক নং eCF No. 458412/104, তাং-11-10-2024 ( পৰিশিষ্ট-'খ') জৰীয়তে সমজিলা আয়ুক্তৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে।

গ) খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগে অৱগত কৰা তথ্যমতে, নাজিৰা সম-জিলাৰ অন্তৰ্গত খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা শাখাৰ প্ৰায় সকলো কাম কাজ নাজিৰা সম-জিলাৰ পৰাই পৰিচালিত হৈ আছে, কেৱলমাত্ৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ সামগ্ৰীৰ মাহেকীয়া আৱন্টন জিলা কাৰ্য্যালয়ৰ পৰা generate কৰা হয় । কিন্তু তাৰ পৰৱৰ্তী পৰ্যায়ত উক্ত সামগ্ৰীৰ উত্তোলন, পৰিবহন আৰু বিতৰণ সম্পৰ্কীয় সকলো কাম কাজ সমজিলাৰ কাৰ্য্যালয়ৰ অধীনৰ বিভাগীয় বিষয়াই তদাৰক আৰু পৰ্যবেক্ষণ কৰে।

ঘ) মূখ্য অভিযন্তা, লোক নিৰ্মাণ ( গৃহ) বিভাগে অৱগত কৰা তথ্যমতে, নাজিৰা সমজিলাৰ বাবে আৱৰ্ত ভৱন আৰু সমজিলাৰ আয়ুক্ত কাৰ্যালয় নতুনকৈ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ১০ বিঘা ভূমিৰ বাবে শিৱসাগৰ জিলাৰ আয়ুক্ত মহোদয়ক অনুৰোধ জনাইছে। তদুপৰি শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ে জনোৱামতে, ইয়াৰ বাবে পূঁজি আৱন্টন বৰ্তমানলৈ হোৱা নাই ।

ঙ আৰু চ)

বিষয়টি সাধাৰণ প্ৰশাসন বিভাগৰ আওতাত নপৰে। এই ক্ষেত্ৰত কেতবোৰ বিভাগ যেনে আৱকাৰী, মীন, বিত্ত, উদ্যোগ আৰু বাণিজ্য, জলসিঞ্চন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, ভূমি আৰু ৰাজহ বিভাগৰ অধীনৰ উপ-পঞ্জীয়ক, ভূমি সংৰক্ষণ বিভাগৰ বিট কাৰ্যালয় , মহিলা আৰু শিশু উন্নয়ন বিভাগৰ ইতিমধ্যে স্থাপিত হোৱা নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প ইত্যাদিৰ অধীনত চলি থকা সকলো ধৰণৰ সেৱাই ৰাইজে লাভ কৰিছে।

জিলা আয়ুক্তৰ পোৱা তথ্যমতে, নাজিৰা সমজিলা পৰ্যায়ত স্থাপন নোহোৱা বিভাগ সমূহ হৈছে, লোকনিৰ্মাণ ( বিদ্যুৎ ), ৰেচম, হস্ততাত আৰু বস্ত্ৰ, পৰিবহন আৰু বন ইত্যাদি।

*(পৰিশিষ্ট-'ক' আৰু 'খ' http://neva.gov.in* পৰ্টেলত আপলোড কৰা হ'ল)

***************

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ ১৭-০২-২০২৬**

তৰা চিহ্নিত প্ৰশ্ন নং : ১৮

বিষয় : সমজিলা সম্পৰ্কে

বিধায়ক : শ্ৰীদেৱব্ৰত শইকীয়া :

মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত মুঠ কিমান সম জিলা ঘোষণা কৰা হ'ল ?

(খ) এই সম জিলাৰ বাসিন্দাসকলৰ সহায়ক হোৱাকৈ সকলো সেৱা কেতিয়াৰ পৰা উপলব্ধ কৰিব ?

(গ) নাজিৰা সম জিলাৰ কেতবোৰ চৰকাৰী কাম-কাজৰ বাবে উদাহৰণস্বৰূপে খাদ্য আৰু অসামৰিক আদি এতিয়াও নাজিৰা সম-জিলাৰ পৰা নিয়ন্ত্ৰণ নোহোৱাৰ কাৰণ কি জনাবনে ?

(ঘ) নাজিৰা সম জিলাৰ বাবে আৱৰ্ত ভৱন আৰু নতুন সম-জিলাৰ আয়ুক্ত কাৰ্য্যালয়ৰ বাবে পুঁজি আৱণ্টন কৰাৰ পদক্ষেপ চৰকাৰে লৈছে নে? যদি লোৱা নাই, কেতিয়া ল'ব ?

(ঙ) নাজিৰা সম জিলাত স্থাপন হ'বলগীয়া বিভিন্ন চৰকাৰী কাৰ্য্যালয় আৰু এই কাৰ্য্যালয়সমূহৰ যোগেৰে ৰাইজে সেৱা পাব পৰাকৈ কৰ্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কেতিয়া ল'ব ?

(চ) এতিয়া কোন সমূহ বিভাগৰ কাৰ্য্যালয় নাজিৰাত স্থাপন কৰা হোৱা নাই আৰু যদিহে স্থাপন হৈছে তেওঁলোকৰ কোন সমূহ পদ খালী হৈ আছে অনুগ্ৰহ কৰি জনাব।

**উত্তৰ**

**সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব-**

ক) অসমত মুঠ ৭৮ খন সমজিলা গঠন কৰা হৈছিল। গঠন হোৱা ৭৮ খন সমজিলাৰ বৰ্তমানলৈ ৪৯ খন ( ৩৯+১০) সমজিলা কাৰ্যক্ষম কৰা হৈছে। বিতং তথ্য পৰিশিষ্ট-'ক' ত দাখিল কৰা হ'ল ।

খ) বৰ্তমান কাৰ্যক্ষম হোৱা ৪৯ খন সমজিলাত জনসাধাৰণৰ বাবে বিভিন্ন বিভাগৰ অধীনৰ প্ৰয়োজনীয় সেৱাসমূহ প্ৰদানৰ বাবে বিভাগীয় স্মাৰক নং eCF No. 458412/104, তাং-11-10-2024 ( পৰিশিষ্ট-'খ') জৰীয়তে সমজিলা আয়ুক্তৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে।

গ) খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগে অৱগত কৰা তথ্যমতে, নাজিৰা সম-জিলাৰ অন্তৰ্গত খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা শাখাৰ প্ৰায় সকলো কাম কাজ নাজিৰা সম-জিলাৰ পৰাই পৰিচালিত হৈ আছে, কেৱলমাত্ৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ সামগ্ৰীৰ মাহেকীয়া আৱন্টন জিলা কাৰ্য্যালয়ৰ পৰা generate কৰা হয় । কিন্তু তাৰ পৰৱৰ্তী পৰ্যায়ত উক্ত সামগ্ৰীৰ উত্তোলন, পৰিবহন আৰু বিতৰণ সম্পৰ্কীয় সকলো কাম কাজ সমজিলাৰ কাৰ্য্যালয়ৰ অধীনৰ বিভাগীয় বিষয়াই তদাৰক আৰু পৰ্যবেক্ষণ কৰে।

ঘ) মূখ্য অভিযন্তা, লোক নিৰ্মাণ ( গৃহ) বিভাগে অৱগত কৰা তথ্যমতে, নাজিৰা সমজিলাৰ বাবে আৱৰ্ত ভৱন আৰু সমজিলাৰ আয়ুক্ত কাৰ্যালয় নতুনকৈ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ১০ বিঘা ভূমিৰ বাবে শিৱসাগৰ জিলাৰ আয়ুক্ত মহোদয়ক অনুৰোধ জনাইছে। তদুপৰি শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ে জনোৱামতে, ইয়াৰ বাবে পুঁজি আৱন্টন বৰ্তমানলৈ হোৱা নাই ।

ঙ আৰু চ)

বিষয়টি সাধাৰণ প্ৰশাসন বিভাগৰ আওতাত নপৰে। এই ক্ষেত্ৰত কেতবোৰ বিভাগ যেনে আৱকাৰী, মীন, বিত্ত, উদ্যোগ আৰু বাণিজ্য, জলসিঞ্চন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, ভূমি আৰু ৰাজহ বিভাগৰ অধীনৰ উপ-পঞ্জীয়ক, ভূমি সংৰক্ষণ বিভাগৰ বিট কাৰ্যালয় , মহিলা আৰু শিশু উন্নয়ন বিভাগৰ ইতিমধ্যে স্থাপিত হোৱা নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প ইত্যাদিৰ অধীনত চলি থকা সকলো ধৰণৰ সেৱাই ৰাইজে লাভ কৰিছে।

জিলা আয়ুক্তৰ পোৱা তথ্যমতে, নাজিৰা সমজিলা পৰ্যায়ত স্থাপন নোহোৱা বিভাগ সমূহ হৈছে, লোকনিৰ্মাণ ( বিদ্যুৎ ), ৰেচম, হস্ততাত আৰু বস্ত্ৰ, পৰিবহন আৰু বন ইত্যাদি।

*(পৰিশিষ্ট-'ক' আৰু 'খ' http://neva.gov.in* পৰ্টেলত আপলোড কৰা হ'ল)

*************

অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং – ১৯
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **পঞ্চায়েত কাজে অনিয়ম**
বিধায়কঃ শ্ৰীজাকিৰ হুসেন লস্কৰঃ

প্ৰশ্ন

মাননীয় পঞ্চায়েত ও গ্রামোন্নয়ণ বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কীঃ

(ক) কাটলীছড়া সমষ্টির পঞ্চায়তে ও গ্রাম উন্নয়ন বিভাগের বিভিন্ন উন্নয়নমূলক প্রকল্প বাস্তবায়ন করার ক্ষেত্রে টাকা আত্মসাৎ করার যে গুরুতর অভিযোগ উঠেছিল সেই প্রকল্পগুলোর তদন্ত করা হয়েছিল কি? তাহা বিস্তারিত জানানোর জন্য অনুরোধ করছি।

(খ) বিভিন্ন সংগঠনের দ্বারা বিভিন্ন সময়ে বিভাগের কাছে এবং বিভিন্ন কমিটির কাছে দাবি পত্র প্রদান করা হয়েছে এবং সেই অনুসারে জেলা উপায়ুক্ত মহাশয়কে তদন্ত করার জন্য নির্দেশ করা হয়েছিল কি ? যদি হয়ে থাকে, তাহলে কি ব্যবস্থা গ্রহণ করা হয়েছিল, বিস্তারিত জানানোর জন্য অনুরোধ করছি।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) কাটলীছড়া সমষ্টিৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প বাস্তবায়ন কৰাৰ ক্ষেত্ৰত টকা আত্মসাৎ কৰাৰ যি গুৰুতৰ অভিযোগ উঠিছিল সেই প্ৰকল্প সমূহৰ তদন্ত কৰা হৈছে ।এই ক্ষেত্ৰত হাইলাকান্দি জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া প্ৰত্ৰ নং HZP.2081/AQ/2025-26/83, Date-09/02/2026 জৰিয়তে জনোৱা তথ্য অনুসৰি তিতা দাস পুৰকায়স্থ আৰু আন ছয়জন ব্যক্তিয়ে প্ৰদান কৰা স্মাৰকপত্ৰৰ প্ৰতি সহাঁৰি জনাই জিলা আয়ুক্তই দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ বাবে আদেশ নং ECF No. 10678/733-37, Date-17/01/2025 যোগেদি নিৰ্দেশ প্ৰদান কৰিছে।

আদেশৰ প্ৰতিলিপি **পৰিশিষ্ট ক'** আৰু **পৰিশিষ্ট খ'** ত সংলগ্ন কৰা হ'ল।

(খ) বিভিন্ন সংগঠনৰ দ্বাৰা বিভিন্ন সময়ত লাভ কৰা অভিযোগৰ ভিত্তিত আৰু ৰাজহুৱা কল্যাণমূলক আঁচনি, বিশেষকৈ কাটলিচেৰা সমষ্টিৰ কাটলিচেৰা উন্নয়ন খণ্ডৰ অধীনস্থ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিশ্চিত কৰ্ম আঁচনি (MGNREGA) আৰু অমৃত সৰোবৰ কাৰ্যসূচী ৰূপায়ণত স্বচ্ছতা, জবাবদিহিতা আৰু নিষ্ঠা নিশ্চিত কৰাৰ উদ্দেশ্যে হাইলাকান্দি জিলা আয়ুক্তই দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত হাইলাকান্দি জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াই প্ৰত্ৰ নং HZP.2081/AQ/2025-26/83, Date-09/02/2026 জৰিয়তে জনোৱা তথ্য অনুসৰি হাইলাকান্দি জিলা আয়ুক্তৰ ওচৰত দাখিল কৰা অভিযোগৰ সন্দৰ্ভত ইয়াৰ দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত প্ৰক্ৰিয়া চলাবৰ বাবে আদেশ নং ECF No. 10678/733-37, Date-17/01/2025 যোগেদি নিৰ্দেশ প্ৰদান কৰিছে।

আদেশৰ প্ৰতিলিপি **পৰিশিষ্ট ক'** আৰু **পৰিশিষ্ট খ'** ত সংলগ্ন কৰা হ'ল।

(সংলগ্ন পত্ৰ সমূহ **'cms.neva.gov.in'** পোৰটেলত আপলোড কৰা হৈছে )
(Enclosures are uploaded in the **'cms.neva.gov.in' portal.)**

*******

অসম বিধান সভা

**উত্তৰ দানৰ তাৰিখ-১৭-০২-২০২৬**

তৰা চিহ্নিত প্ৰশ্ন নং : ২০

বিষয় : সম-জিলা গঠন সম্পৰ্কে

বিধায়ক : শ্ৰীভৱেশ কলিতা :

**মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৰাজ্য চৰকাৰে কিমানখন সম-জিলা গঠন কৰিলে?

(খ) কিমানখন জিলাত নিয়মিতভাৱে চৰকাৰী কাম-কাজ আৰম্ভ কৰা হৈছে?

(গ) সম-জিলা সমূহলৈ কি কি বিভাগ হস্তান্তৰ কৰা হৈছে? তথ্য সহকাৰে সদনত জনাব।

**উত্তৰ**

**সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব-**

(ক) চৰকাৰী অধিসূচনা নং 374321/6 তাং 12-09-2023 ৰ জৰিয়তে ৭৯ খন Sub District গঠন কৰা হয় (**পৰিশিষ্ট 'ক'**) কিন্তু অধিসূচনা নং 374321/56 তাং 01-10-2024 ৰ জৰিয়তে Sub District নামটো Co District (সমজিলা)লৈ পৰিৱৰ্তন কৰা হয় (**পৰিশিষ্ট 'খ'**)। পৰবৰ্তী কালত বজালী জিলা গঠনৰ পৰিপ্ৰেক্ষিতত মুঠ গঠিত সমজিলাৰ সংখ্যা ৭৮ খন হয়।

(খ) চৰকাৰী অধিসূচনা নং 458412/76 তাং 28-09-2024 (**পৰিশিষ্ট 'গ'**) ৰ জৰিয়তে ৩৯ খন সমজিলা 04-10-2024 ৰ পৰা আৰু চৰকাৰী অধিসূচনা নং 375037/496 তাং 11-05-2025 (**পৰিশিষ্ট 'ঘ'**) ৰ জৰিয়তে ১০ খন সমজিলা 15-08-2025 ৰ পৰা কাৰ্য্যক্ষম কৰি তোলা হৈছে।

(গ) চৰকাৰী অধিসূচনা নং 458412/104 তাং 11-10-2024 ৰ জৰিয়তে সমজিলাৰ অধীনৰ বিভিন্ন বিভাগৰ কাম-কাজবোৰ সূচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে সমজিলা আয়ুক্তক ক্ষমতা প্ৰদান কৰা হৈছে (অধিসূচনাৰ প্ৰতিলিপি **পৰিশিষ্ট – 'ঙ'** ত সংলগ্ন কৰা হ'ল) ।

******************